৬ষ্ঠ খণ্ড, চতুৰ্বিংশ সংখ্যা

১৬-৩১ জুন, ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ




ই-কপিৰ বাবে



**দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস**

## সুস্থ পৃথিৱীৰ বাবে ভাৰতৰ কালজয়ী সূত্ৰ

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস-শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক সুস্থতাৰ এক বিশ্বজোৰা উদযাপন-যি মানুহক ৰাষ্ট্ৰ আৰু সংস্কৃতিৰে সংযোগ কৰাৰ এক শক্তিশালী মাধ্যম হিচাপে আত্মপ্ৰকাশ কৰিছে। আজি ভাৰতৰ এই প্ৰাচীন উপহাৰ বিশ্বায়নিক আন্দোলনলৈ পৰিণত হৈছে, যিয়ে উন্নত জনস্বাস্থ্য আৰু আভ্যন্তৰীণ শান্তিৰ দিশত নতুন পথ মুকলি কৰিছে।

Follow Us @NISPIBIndia

# গৌৰৱময় চোল সাম্ৰাজ্য: ইতিহাস আৰু সংস্কৃতিৰ গৌৰৱ গাথা



প্ৰতিমাহে জনপ্ৰিয় ৰেডিঅ’ অনুষ্ঠান ‘মন কী বাত’-এ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বহু বাৰ্তা লাভ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিকৰ সৈতে জনকেন্দ্ৰিক আলোচনাত মিলিত হয়। ২০২৬ চনৰ ৩১ মে’ত সম্প্ৰচাৰিত ‘মন কী বাত’ৰ ১৩৪ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে গ্ৰীষ্মকালীন উষ্ণতাৰ পৰা সুৰক্ষা লাভৰ পৰামৰ্শ বিনিময় কৰি শ্ৰোতাসকলক পানী খাই থাকিবলৈ পৰামৰ্শ দিয়ে। লগতে চোল সাম্ৰাজ্যৰ চহকী ইতিহাস আৰু সংস্কৃতিকে ধৰি কেইবাটাও উল্লেখযোগ্য বিষয়ত ভাষণ প্ৰদান কৰে। ‘মন কী বাত’ৰ পৰা সম্পাদিত মূল বিষয়সমূহ ইয়াত উপস্থাপন কৰা হৈছে...

- **ৰাষ্ট্ৰীয় অভিলেখ ঃ** ঝাৰখণ্ডৰ ৰাঁচীত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় জ্যেষ্ঠ এথলেটিকছ ফেডাৰেচন প্ৰতিযোগিতা। এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৮০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ সময়ছোৱাত চাৰিটা ভিন্ন ইভেণ্টত চাৰিটা ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰা হয়।

- **গৰমৰ পৰা সুৰক্ষা ঃ** সম্প্ৰতি দেশৰ জনগণে বেছিভাগ ঠাইতে তীব্ৰ গৰমৰ সন্মুখীন হৈছে। প্ৰখৰ ৰ’দ আৰু গৰম বতাহৰ বাবে এনে বতৰত নিজৰ সঠিক যত্ন লোৱাটো অতি গুৰুত্বপূৰ্ণ। প্ৰচুৰ পৰিমাণে পানী খাই নিজকে সজীৱ কৰি ৰাখক। যদি আপুনি ৰ’দত ওলাই যাবলৈ বাধ্য, তেন্তে সতৰ্কতা অৱলম্বন কৰক। তদুপৰি বিভিন্ন চৰকাৰী বিভাগে উত্তাপ সুৰক্ষা সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা মানি চলিবলৈ নাপাহৰিব।

- **চতু বা চতুৱাৰ চৰবত ঃ** বিহাৰ, ঝাৰখণ্ড, আৰু পূব উত্তৰ প্ৰদেশত চতুৱাৰ চৰবত তেনেই আকৰ্ষণীয়। ই পেট ভৰায় আৰু শক্তি প্ৰদান কৰে।

- **তামৰ প্লেট ঃ** নেদাৰলেণ্ডছ ভ্ৰমণৰ সময়ত এনে এটা মুহূৰ্ত আহিল যিয়ে প্ৰতিজন ভাৰতীয়ৰ হৃদয় গৌৰৱেৰে উপচাই পেলালে। তাত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানৰ সময়ত ভাৰতৰ চোল যুগৰ প্ৰাচীন তামৰ প্লেট ভাৰতক ঘূৰাই দিয়া হয়।

- **জ্যোতিৰ্বিজ্ঞান ঃ** আমাৰ দেশত জ্যোতিৰ্বিজ্ঞানে প্ৰতিটো প্ৰজন্মৰ মাজত কৌতূহলৰ সৃষ্টি কৰিছে। অন্বেষণৰ বাবে ই অনুপ্ৰাণিত কৰিছে; যাৰ বাবে আজিৰ যুৱক-যুৱতীসকলৰ মাজত বহু উৎসাহ দৃশ্যমান হৈছে।

- **ডলফিন ঃ** ডলফিন উদ্ধাৰকাৰী এম্বুলেন্সখন ভ্ৰাম্যমাণ চিকিৎসালয় হিচাপে কাম কৰিব পৰাকৈ ডিজাইন কৰা হৈছে। ইয়াত অক্সিজেনৰ ব্যৱস্থা, বিশেষ ষ্ট্ৰেচাৰ, উদ্ধাৰ সঁজুলিকে ধৰি ডলফিনৰ সুৰক্ষা নিশ্চিত কৰিবপৰা সুবিধাসমূহ আছে। অৰ্থাৎ যদি কোনো ডলফিন আঘাতপ্ৰাপ্ত হয় বা খালত আবদ্ধ হৈ পৰে তেন্তে তাৎক্ষণিক সহায় আগবঢ়াব পাৰি।

- **জৈৱ বৈচিত্ৰ্য ঃ** গংগা ডলফিনক ৰক্ষা কৰিবলৈ গৈ আমি কেৱল জীৱ প্ৰজাতি এটা ৰক্ষা কৰা নাই; আমি গংগাৰ জৈৱ বৈচিত্ৰ্যক সংৰক্ষণ কৰি আছো। আমি নদীখনৰ সমগ্ৰ পৰিৱেশ তন্ত্ৰক সুৰক্ষিত কৰি ৰাখোঁ আৰু তেনে কৰি আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে এক অমূল্য প্ৰাকৃতিক ঐতিহ্য সংৰক্ষণ কৰোঁ।

- **সেৱা আগবঢ়াবলৈ বিশাল সম্পদৰ প্ৰয়োজন নাই ঃ** কেৰেলামৰ আলুৱাত ছাজি ভালাশ্বেৰিলে ১৫ হাজাৰৰো অধিক লোকক সাঁতুৰিবলৈ শিকাইছে। নাও দুৰ্ঘটনাত কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে প্ৰাণ হেৰুৱাই পেলোৱাৰ যন্ত্ৰণাৰ পিছত তেওঁ এই পদক্ষেপ গ্ৰহণ কৰে। তেওঁৰ জীৱনে আমাক শিকাইছে যে সেৱাৰ মনোভাৱত লিপ্ত হ’বলৈ বিশাল সম্পদৰ প্ৰয়োজন হ’বই লাগিব বুলি কোনো কথা নাই; প্ৰকৃততে যিটো প্ৰয়োজন সেয়া হ’ল এক উদাৰ উদ্দেশ্য আৰু অটল অধ্যৱসায়।

- **দেশপ্ৰেমৰ মনোভাব ঃ** গিৰিজা আম্মাই প্ৰায় ১৫খন বিদ্যালয় চলায়, ইয়াৰ ভিতৰত চেন্নাইৰ জয়গোপাল গাৰোডিয়া হিন্দু বিদ্যালয়খন এক বিশিষ্ট প্ৰতিষ্ঠান হিচাপে থিয় দিছে। তেওঁৰ দেশপ্ৰেমৰ উদ্দীপনাই প্ৰতিজন ভাৰতীয় নাগৰিকৰ বাবে প্ৰেৰণা হিচাপে কাম কৰে।

- **জনতাৰ শক্তি ঃ** সমগ্ৰ ভাৰতৰ প্ৰতিখন গাঁও আৰু চহৰত অহৰহ কিবা নহয় কিবা এটা প্ৰেৰণাদায়ক কাম সংঘটিত হৈ আছে। প্ৰায়ে এই প্ৰচেষ্টাসমূহে ব্যাপক মনোযোগ লাভ নকৰে; তথাপিও যেতিয়া আমি সেইবোৰৰ বিষয়ে অৱগত হওঁ, তেতিয়া আমাৰ দেশখনে নিজৰ জনসাধাৰণৰ সামূহিক শক্তিৰ জৰিয়তে আগবাঢ়ি আছে বুলি আমাৰ বিশ্বাস আৰু অধিক শক্তিশালী হৈ উঠে।

- **ভাল কাম ঃ** আপোনালোকৰ নিজৰ চৌপাশত লোৱা এনে পদক্ষেপৰ প্ৰতি সক্ৰিয়ভাৱে চকু ৰাখিবলৈ আহ্বান জনাইছো। সমাজৰ বাবে ভাল কাম কৰি থকাসকলক চিনাক্ত কৰক; তেওঁলোকৰ প্ৰচেষ্টাক স্বীকাৰ আৰু প্ৰশংসা কৰক, তেওঁলোকৰ পৰা শিকক আৰু সম্ভৱ হ’লে নিজেও যোগদান কৰক আৰু এটা উন্নত কামত অৰিহণা যোগাওক।

*‘মন কী বাত’ শুনিবলৈ কিউ আৰ কোড স্কেন কৰক।*

# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ২৪, জুন ১৬-৩১, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...



**প্ৰচ্ছদ নিৱন্ধ**

এইবাৰ ২১ জুনৰ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস সঁচা অৰ্থত এক বিশেষ অনুষ্ঠান। যিহেতু এই বছৰটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰেও ১২ বছৰ সম্পূৰ্ণ কৰিলে সেইবাবে জুন মাহটো উদযাপনৰ মাহলৈ ৰূপান্তৰিত হৈছে | ৮-১৭

**পদ্ম বঁটা ২০২৬**



ৰাষ্ট্ৰৰ নায়কসকলক সন্মান...



নাগৰিক সন্মান সমাৰোহ অনুষ্ঠানৰ সময়ত দেশৰ ৬৬ গৰাকী বিশিষ্ট ব্যক্তিক ২০২৬ চনৰ পদ্ম বঁটা প্ৰদান কৰা হয় |২২-২৭


সংক্ষিপ্ত সংবাদ |৪-৫

ব্যক্তিত্ব: বিনীতা ছোৰেন
মাউণ্ট এভাৰেষ্ট জয় কৰা প্ৰথমগৰাকী ভাৰতীয় জনজাতীয় মহিলা |৬

নিয়মীয়া নিৰীক্ষণ আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান
৫১ সংখ্যক প্ৰগতি বৈঠকত সভাপতিত্ব কৰে প্ৰধানমন্ত্ৰী মোদীয়ে |৭

যুৱক-যুৱতীৰ অবিৰত অগ্ৰগতিঃ উন্নত ভাৰতৰ শক্তি
ৰোজগাৰ মেলাত বিতৰণ কৰা হয় ৫১,০০০+ নিযুক্তি পত্ৰ |১৮-১৯

খাদ্য সুৰক্ষা আৰু নিকা পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰত নতুন অগ্ৰগতি
কেন্দ্ৰীয় কেবিনেট বৈঠকত গ্ৰহণ কৰা হয় মূল সিদ্ধান্তসমূহ |২০-২১


**ইউৰোপৰ পৰা উপসাগৰীয় দেশলৈ**
**ভাৰতৰ উত্থানশীল বিশ্ব শক্তিৰ প্ৰদৰ্শনী**

প্ৰধানমন্ত্ৰী মোদীৰ ইউএই, নেদাৰলেণ্ডছ, ছুইডেন, নৰৱে আৰু ইটালীৰ ভ্ৰমণে ভাৰতৰ নতুন বিশ্ব নীতিৰ এক শক্তিশালী প্ৰদৰ্শন হিচাপে কাম কৰে |২৮-৩২




**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

# যোগ: ভাৰতৰ প্ৰাচীন ঐতিহ্য, বিশ্বৰ পৰিচয়

নমস্কাৰ!

জুন মাহটোৱে উদযাপনৰ সময় কঢ়িয়াই আনে। এফালে এই মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হ'ল; আনহাতে, বিশ্বই দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰিছে। দ্বাদশ সংখ্যাৰ এই শুভ সন্মিলনে এই সময়ছোৱাক সুযোগ আৰু উৎসৱৰ সংগমলৈ ৰূপান্তৰিত কৰিছে।

আজিৰ দ্ৰুতগতিত চলি থকা জীৱনত যোগে মন, শৰীৰ, বুদ্ধি আৰু আত্মাৰ মাজত ভাৰসাম্য ৰক্ষা কৰে, যাৰ ফলত ব্যক্তিৰ জীৱনত শান্তিৰ অনুভূতি আহে। ব্যক্তি এজনক তেওঁৰ পৰিয়ালৰ সৈতে সংযোগ কৰি যোগে সুখ আৰু মংগলৰ বাট মুকলি কৰে। পৰিয়ালৰ ভিতৰত সমাজৰ প্ৰতি সংবেদনশীলতা জীপাল কৰি ই সামাজিক সম্প্ৰীতি শক্তিশালী কৰে। এই সমাজখনেই জাতীয় ঐক্যৰ ভেটি গঢ়ি তোলে আৰু সমগ্ৰ বিশ্বতে শান্তি আৰু বন্ধুত্বৰ বাৰ্তা প্ৰচাৰ কৰে। এইদৰে যোগে ব্যক্তি, পৰিয়াল, সমাজ, জাতি, জগত আৰু সকলো মানৱতাক সংযোগ কৰাৰ কাম কৰে।

২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা শুভাৰম্ভ কৰা এই প্ৰচেষ্টাই বিশ্ব সমাজৰ পৰা অভূতপূৰ্ব সমৰ্থন লাভ কৰিছিল, ফলস্বৰূপে ২০১৫ চনৰ পৰা প্ৰতি বছৰে ২১ জুন তাৰিখে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰাটো আৰম্ভ হয়।

ভাৰতত যোগৰ পৰম্পৰা প্ৰায় ৫,০০০ বছৰ পুৰণি, ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে স্বীকৃতি দিয়াৰ ফলত ইয়াক এক বিশ্বায়নিক পৰিচয় প্ৰদান কৰা হয়। সমান্তৰালভাৱে যোগৰ সৈতে জড়িত অৰ্থনৈতিক কাৰ্যকলাপসমূহ সম্প্ৰসাৰিত হৈ স্বাস্থ্যসেৱা আৰু অৰ্থনৈতিক সবলীকৰণ দুয়োটাকে সতেজ গতি প্ৰদান কৰিলে। আজি যোগ ভাৰতৰ বিশ্বজনীন পৰিচয় হিচাপে আত্মপ্ৰকাশ কৰিছে। প্ৰতি বছৰে ২১ জুন তাৰিখটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰা হয়। এই বিষয়বস্তুটোৱেই আমাৰ এই সংখ্যাটোৰ প্ৰচ্ছদ নিবন্ধ।

লগতে ব্যক্তিত্ব শিতানত মাউণ্ট এভাৰেষ্ট জয় কৰা প্ৰথমগৰাকী ভাৰতীয় জনজাতীয় মহিলা- বিনীতা ছোৰেনৰ বিষয়ে পঢ়ক। আন আন উল্লেখযোগ্য বিষয়বস্তু হৈছে কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত, প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণ, ৰোজগাৰ মেলা, আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত ৫১ সংখ্যক প্ৰগতি বৈঠকৰ লগতে তেওঁৰ পযেকীয়া অনুষ্ঠানসমূহ। ইয়াৰ উপৰিও ভিতৰৰ পৃষ্ঠাত মন কী বাত আৰু পিছফালৰ প্ৰচ্ছদত বছৰি ২৭ জুনত পালন কৰা আন্তঃৰাষ্ট্ৰীয় এমএছএমই দিৱস সম্পৰ্কীয় লেখাও এই সংখ্যাৰ অংশ হৈ পৰিছে।

আপোনালোকৰ বহুমূলীয়া পৰামৰ্শবোৰ আমালৈ প্ৰেৰণ কৰি যাবলৈ অনুৰোধ কৰিছো।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
*https://newindiasamachar.pib.gov.in/*

# মেইল বক্স






### এখন প্ৰেৰণাদায়ক আৰু উপযোগী পযেকীয়া প্ৰকাশৰ বাবে শুভেচ্ছা

নিউ ইণ্ডিয়া সমাচাৰৰ ১-১৫ মে', ২০২৬ সংস্কৰণত প্ৰকাশিত "নতুন ভাৰত আৰু মহিলা নেতৃত্বাধীন নেতৃত্ব" শীৰ্ষক প্ৰচ্ছদ নিৱন্ধটি মই আন্তৰিকতাৰে প্ৰশংসা কৰিছোঁ। এই বিশেষ লেখাই সুন্দৰভাৱে তুলি ধৰিলে যে কেনেকৈ 'নতুন ভাৰত'ত পৰিৱৰ্তন আৰু ৰাষ্ট্ৰ গঠনৰ প্ৰকৃত চালক হিচাপে মহিলাসকলে আত্মপ্ৰকাশ কৰিছে। "তেওঁ পূৰ্বনিৰ্ধাৰিত সীমাৰ ভিতৰত আবদ্ধ কৰি ৰখাৰ উদ্দেশ্যে নাছিল... বৰঞ্চ, তেওঁ আছিল নতুন পথ গঢ়ি তোলাৰ উদ্দেশ্যে" এই শাৰী বাক্য বিশেষভাৱে প্ৰেৰণাদায়ক আছিল। প্ৰবন্ধটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নাৰী শক্তিক সবলীকৰণ আৰু মহিলা নেতৃত্বাধীন উন্নয়ন শক্তিশালী কৰাৰ দিশত থকা দৃষ্টিভংগী আৰু দায়বদ্ধতাক ফলপ্ৰসূভাৱে প্ৰকাশ কৰি তোলা হৈছে। এনে এক প্ৰেৰণাদায়ক বৈশিষ্ট্য প্ৰকাশ কৰাৰ বাবে সম্পাদকীয় দললৈ অভিনন্দন।

michaelbks@gmail.com

### উন্নয়নৰ সকলো শেহতীয়া বা-বাতৰি আৰু পদক্ষেপৰ বিষয়ে জানিবলৈ পাই আনন্দিত হৈছোঁ

দেশত চলি থকা উন্নয়নৰ যাত্ৰাক সামৰি লোৱা এই বিস্তৃত আলোচনীখনৰ বাবে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। মই এই প্ৰকাশনৰ নিয়মীয়া পাঠক। চৰকাৰে গ্ৰহণ কৰা সকলো শেহতীয়া উন্নয়নৰ খবৰ আৰু পদক্ষেপৰ বিষয়ে অৱগত হৈ থাকিবলৈ পাই মই সঁচাকৈয়ে আনন্দিত হৈছো।

মনমোহন বাহেদ

man.bahed82@gmail.com

### আলোচনীখনে পাঠকৰ হৃদয় গভীৰভাৱে স্পৰ্শ কৰে

নিউ ইণ্ডিয়া সমাচাৰ'ত মূল আঁচনিসমূহ আৰু 'নিউ ইণ্ডিয়া'ৰ মনোভাবৰ ওপৰত আলোকপাত কৰা হয়। মই বিশ্বাস কৰোঁ যে এই গঠনমূলক বিষয়বস্তুসমূহ এজন জ্ঞাত নাগৰিকৰ দৃষ্টিকোণৰ পৰা লিখা হৈছে-যিবোৰে পাঠকৰ হৃদয় গভীৰভাৱে স্পৰ্শ কৰে। আপোনাৰ বহুমূলীয়া সময়ৰ বাবে আৰু ভাৰতৰ অগ্ৰগতিৰ নথিভুক্তকৰণ কৰাৰ ক্ষেত্ৰত আপোনাৰ উল্লেখযোগ্য কামৰ বাবে মোৰ আন্তৰিক ধন্যবাদ।

ৰাজা মুথ্যালা

rajaa.muthyala@gmail.com

### ভাৰতে দ্ৰুত গতিত উন্নতি কৰিছে

নিউ ইণ্ডিয়া সমাচাৰত অনলাইন লেখা এটা পঢ়াৰ সুযোগ পাইছিলোঁ। আমাৰ ভাৰতে দ্ৰুত গতিত উন্নতি কৰিছে। ৰাষ্ট্ৰৰ প্ৰগতিৰ দিশত কাম কৰা প্ৰতিগৰাকী নাৰীক লৈ মই গৌৰৱ কৰো। 'অপাৰেচন সিন্দূৰ'ৰ জৰিয়তে, বিশ্ব ভাৰতৰ অনন্য শক্তিৰ সাক্ষী হ'ল।

jamesdevassy603@gmail.com

### উন্নয়নৰ পথত ৰাষ্ট্ৰ অগ্ৰসৰ হৈছে

দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে কাশী বিশ্বনাথ মন্দিৰৰ বৈদিক ঘড়ীৰ ঐতিহাসিক তাৎপৰ্যৰ বিষয়ে জানিব পাৰিলোঁ। জাতিৰ সৌভাগ্য যে প্ৰধানমন্ত্ৰী মোদীৰ পৰিচালনা আৰু দূৰদৰ্শী চিন্তাৰ কৃপাত আমাৰ দেশ ভাৰতে উন্নয়নৰ পথত আগবাঢ়িছে। তদুপৰি ই আগন্তুক প্ৰজন্মৰ বাবে প্ৰেৰণা হিচাপে কাম কৰিব; কাৰণ ভৱিষ্যত প্ৰজন্ম ক্ৰমান্বয়ে সচেতন হৈ পৰিছে।

নীৰজ কুমাৰ আগৰৱাল

neerajagarwal951@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in

সংক্ষিপ্ত সংবাদ



## ১ জুলাইৰ পৰা কাৰ্যকৰী হ'ব বিকশিত ভাৰত-জি ৰাম জি

ভাৰতৰ গ্ৰামোন্নয়ন আৰু নিয়োগ খণ্ডক এক নতুন দিশ প্ৰদান কৰাৰ লক্ষ্যৰে যুগুত কৰা 'বিকশিত ভাৰত-নিশ্চিত ৰোজগাৰ আৰু আজীৱিকা মিছন' বা 'বিকশিত ভাৰত-জি ৰাম জি' আইনখন অহা ১ জুলাই, ২০২৬ৰ পৰা সমগ্ৰ দেশতে কাৰ্যকৰী হ'ব। এই নতুন ব্যৱস্থাৰ অধীনত অদক্ষ শাৰীৰিক শ্ৰম কৰিবলৈ আবেদন কৰা গ্ৰামীণ পৰিয়ালৰ প্ৰতিগৰাকী প্ৰাপ্তবয়স্ক সদস্যক প্ৰতিটো বিত্তীয় বৰ্ষত ১২৫ দিনৰ মজুৰিভিত্তিক সংস্থাপনৰ এক আইনী নিশ্চিতি প্ৰদান কৰা হ'ব। বৰ্তমান এমজিএনৰেগাৰ অধীনত প্ৰদান কৰা ১০০ দিনৰ নিয়োগ নিশ্চিতিতকৈ এয়া ২৫ দিন অধিক।

শ্ৰমিকসকলৰ কামৰ চাহিদা অনুসৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত তেওঁলোকক কৰ্মসংস্থাপন প্ৰদান কৰা হ'ব, অন্যথা আইনৰ ব্যৱস্থা অনুসৰি শ্ৰমিকসকল নিবনুৱা বানচ লাভৰ অধিকাৰী হ'ব। মজুৰিৰ ধন পোনপটীয়াকৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ (ডিবিটি)ৰ জৰিয়তে শ্ৰমিকসকলৰ বেংক একাউণ্টত প্ৰতি সপ্তাহে অথবা মাষ্টাৰ ৰোল বন্ধ হোৱাৰ ১৫ দিনৰ ভিতৰত জমা কৰা হ'ব। যদিহে এই ধনাদায়ৰ সময়সূচী মানি চলা নহয়, তেন্তে শ্ৰমিকসকলে আইনৰ ব্যৱস্থা অনুসৰি পলম হোৱাৰ বাবে ক্ষতিপূৰণ লাভ কৰিব পাৰিব। নতুন গ্ৰাম্য নিয়োগ নিশ্চিতি কাৰ্ড প্ৰদান নকৰা পৰ্যন্ত বৰ্তমানৰ ই-কেৱাইচি প্ৰমাণিত এমজিএনৰেগাৰ জব কাৰ্ডসমূহ 'বিকশিত ভাৰত-জি ৰাম জি' আঁচনিৰ অধীনত বৈধ হৈ থাকিব। কেৱল ই-কেৱাইচি প্ৰমাণীকৰণ বাকী থকাৰ অজুহাতত কোনো শ্ৰমিকক কৰ্মসংস্থাপনৰ পৰা বঞ্চিত কৰা নহ'ব।

## ভূপালত নেভেল ছেইলিং ন'ড উদ্বোধন

১৭ মে', ২০২৬ত ভাৰতীয় নৌসেনাই ভূপালৰ ভোজতাল নামেৰে বিখ্যাত আপাৰ লেকত ইয়াৰ মুখ্য নেভেল ছেইলিং ন'ড (Naval Sailing Node) উদ্বোধন কৰে। অত্যাধুনিক সা-সুবিধাৰে সুসজ্জিত এই ছেইলিং ন'ডটো ভাৰতীয় নৌসেনাৰ ছেইলিং দল, ইয়াৰ ৰয়িং, কেনয়িং আৰু কায়াকিং দলৰ লগতে নেচনেল কেডেট ক'ৰ্ক (এনচিচি) ব্যাপকভাৱে প্ৰশিক্ষণ দিবলৈ ব্যৱহাৰ কৰা হ'ব। বৰ্তমান নৌসেনাৰ ছেইলিং দলটোৰ ৩৪গৰাকী সদস্যৰ ভিতৰত ১৭গৰাকীয়েই মধ্যপ্ৰদেশৰ। এই প্ৰকল্পৰ উদ্দেশ্য হৈছে ৰাজ্যখনৰ অধিক সংখ্যক যুৱক-যুৱতীক প্ৰতিযোগিতামূলক জলক্ৰীড়াত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰা আৰু তেওঁলোকক প্ৰতিৰক্ষা বাহিনীত যোগদান কৰিবলৈ উৎসাহিত কৰা। এই পদক্ষেপ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অলিম্পিক আৰু এছিয়ান গেমছৰ বাবে বিশ্বমানৰ ক্ৰীড়া প্ৰতিভা গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।




## 'কফিজ অব নাগালেণ্ড' মিছনৰ শুভাৰম্ভ

নাগালেণ্ডৰ বাবে ক্লাষ্টাৰ-ভিত্তিক 'কফি ভেলু চেইন ডেভেলপমেণ্ট মিছন' শুভাৰম্ভ কৰা হৈছে। 'কফিজ অব নাগালেণ্ড' অভিযানৰ এই পৰিকাঠামো ১৭৫ কোটি টকাৰ ব্যয়েৰে প্ৰস্তুত কৰা হৈছে। এই মিছনটো এনেদৰে প্ৰস্তুত কৰা হৈছে, যাতে ইয়াৰ অধীনত গ্ৰহণ কৰা পদক্ষেপসমূহ তৃণমূল পৰ্যায়ৰ বাস্তৱতা আৰু কফি উৎপাদনকাৰী সম্প্ৰদায়সমূহৰ আশা-আকাংক্ষাৰ সৈতে সংগতিপূৰ্ণ হয়। এই অভিযান ক্লাষ্টাৰ-ভিত্তিক পদ্ধতিৰ সৈতে সামঞ্জস্যপূৰ্ণ। তদুপৰি, উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন আৰু যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য এম. সিন্ধিয়াই 'অৰুণাচল কিৱি: অৰুণাচল প্ৰদেশৰ ইউএছপি, অৰুণাচল প্ৰদেশ ৰাজ্যৰ বাবে এটা ক্লাষ্টাৰ-ভিত্তিক কিৱি খেতি আৰু ভেলু চেইন ডেভেলপমেণ্ট মিছন'ৰো শুভাৰম্ভ কৰে।



# ভাৰতৰ প্ৰথমখন স্বদেশী হাইড্ৰ'জেন ৰে'ল

ভাৰতৰ প্ৰথমখন স্বদেশী হাইড্ৰ'জেন ৰে'ল ট্ৰেকলৈ আহিবলৈ সম্পূৰ্ণ সাজু হৈ উঠিছে। ১২০০ কিলোৱাট ইঞ্জিন চালিত এই ভৱিষ্যতমুখী, ধোঁৱামুক্ত আৰু প্ৰদূষণমুক্ত ৰে'লখন সৰ্বাধিক ৭৫ কিলোমিটাৰ প্ৰতি ঘণ্টা বেগত চলিব। ভাৰতীয় ৰে'লৱেই উত্তৰ ৰে'লৱেৰ জিন্দ-সোণিপট অংশত এই ১০টা দবাযুক্ত, হাইড্ৰ'জেন ইন্ধন-চেল ভিত্তিক ৰে'লখন চলোৱাৰ বাবে অনুমোদন জনাইছে। এই পদক্ষেপক ৰে'ল খণ্ডৰ ভিতৰত পৰৱৰ্তী প্ৰজন্মৰ ইন্ধন প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে অভিহিত কৰা হৈছে।

এই হাইড্ৰ'জেন ৰে'ল প্ৰকল্পৰ শুভাৰম্ভণিৰে ভাৰত এতিয়া জাৰ্মানী, জাপান, চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি বিশ্বৰ সেই কেইখনমান নিৰ্বাচিত ৰাষ্ট্ৰৰ এলিট ক্লাবত অন্তৰ্ভুক্ত হৈছে, যিবোৰে স্বচ্ছ ৰে'ল পৰিবহণৰ বাবে হাইড্ৰ'জেন ব্যৱহাৰৰ সম্ভাৱনা সক্ৰিয়ভাৱে অন্বেষণ কৰি আছে। "নতুন চিন্তা আৰু নতুন শক্তি"ৰে এক "নতুন ভাৰত"ক প্ৰতিফলিত কৰা এই হাইড্ৰ'জেন ৰে'লখনৰ পৰা কেৱল পানীৰ ভাপহে নিৰ্গত হয়। স্বচ্ছ শক্তিৰে পৰিচালিত, থলুৱা প্ৰযুক্তি আৰু সুৰক্ষিত পৰিচালনাৰে সুসজ্জিত এই ৰে'লখন শূন্য কাৰ্বন নিৰ্গমনৰ দিশত ভাৰতৰ যাত্ৰাত এক গুৰুত্বপূৰ্ণ খোজ।




## দেশজুৰি ৩০ জুনলৈকে চলিব 'খেত বচাও অভিযান'

'খেত বচাও অভিযান' কেৱল এটা সজাগতা কাৰ্যসূচী নহয়; বৰঞ্চ ই পথাৰ, খেতিয়ক আৰু গাঁৱক সংযোগ কৰা এক ব্যাপক ৰাষ্ট্ৰীয় অভিযান, যাক দেশৰ প্ৰতিখন গাঁৱলৈ লৈ যোৱা হৈছে। এই অভিযানে ৰাসায়নিক সাৰৰ ব্যৱহাৰ হ্ৰাস কৰা, বিশেষকৈ ইয়াৰ অসন্তুলিত প্ৰয়োগ ৰোধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। খেতিয়কসকলক মাটি পৰীক্ষাৰ ওপৰত ভিত্তি কৰি সাৰৰ সন্তুলিত আৰু সঠিক ব্যৱহাৰৰ নিৰ্দেশনাসহ বিভিন্ন ধৰণৰ তথ্য প্ৰদান কৰা হ'ব।



## জনগাঁথনিগত পৰিৱৰ্তন সম্পৰ্কীয় উচ্চস্তৰীয় কমিটী গঠন

অনুপ্ৰৱেশ আৰু অন্যান্য কাৰকৰ দ্বাৰা পৰিচালিত অস্বাভাৱিক জনগাঁথনিগত পৰিৱৰ্তনে যিকোনো ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যতৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫ আগষ্ট, ২০২৫ তাৰিখে এক "জনগাঁথনিগত পৰিৱৰ্তন সম্পৰ্কীয় উচ্চস্তৰীয় কমিটী" গঠনৰ কথা ঘোষণা কৰিছিল, যিটো প্ৰস্তাৱে ১১ ছেপ্টেম্বৰ, ২০২৫ত কেবিনেটৰ অনুমোদন লাভ কৰিছিল। চৰকাৰে এতিয়া আনুষ্ঠানিকভাৱে এই কমিটী গঠন কৰিছে। এই কমিটীয়ে অবৈধ প্ৰব্ৰজন আৰু অন্যান্য অস্বাভাৱিক কাৰণত সমগ্ৰ ভাৰতবৰ্ষত ঘটি থকা জনগাঁথনিগত পৰিৱৰ্তনৰ এক ব্যাপক মূল্যায়ন কৰিব; তদুপৰি, ই নিৰ্দিষ্ট ধৰ্মীয় আৰু সামাজিক সম্প্ৰদায়ৰ পৰ্যায়ত জনসংখ্যাৰ অস্বাভাৱিক পৰিৱৰ্তনৰ আৰ্হি বিশ্লেষণ কৰিব। একে সময়তে, ই এই সমস্যাসমূহ সমাধানৰ বাবে এক প্ৰণালীবদ্ধ আৰু সময়সীমা নিৰ্ধাৰিত পৰিকল্পনা দাঙি ধৰিব।




# মাউণ্ট এভাৰেষ্ট জয় কৰা প্ৰথমগৰাকী ভাৰতীয় জনজাতীয় মহিলা

ঝাৰখণ্ডৰ বিনীতা ছোৰেনে মাউণ্ট এভাৰেষ্ট জয় কৰা প্ৰথমগৰাকী জনজাতীয় মহিলা হিচাপে ইতিহাস ৰচনা কৰে। ২৫ বছৰ বয়সতে বিনীতাই আৰোহণ কৰা এই উচ্চতা আছিল একাগ্ৰচিত্তে কৰা কঠোৰ পৰিশ্ৰম আৰু অদম্য সাহসৰ এক নিদৰ্শন। বিশ্বৰ সৰ্বোচ্চ শৃংগৰ শিখৰ স্পৰ্শ কৰি তেওঁ প্ৰমাণ কৰিলে যে সপোনবোৰ কোনো সামাজিক সীমাবদ্ধতাৰ মাজত আৱদ্ধ নহয়। ঝাৰখণ্ডৰ এখন সৰু গাঁৰৰ পৰা বিশ্বৰ সৰ্বোচ্চ শৃংগলৈ যাত্ৰা কৰা বিনীতা ছোৰেন আজি সমগ্ৰ দেশৰ কন্যাসকলৰ বাবে এক প্ৰেৰণাৰ উৎস হৈ পৰিছে।

মাউণ্ট এভাৰেষ্ট জয় কৰা বিনীতাই এক জনজাতীয় পটভূমিৰ পৰা অহাৰ পিছতো এই উল্লেখনীয় কৃতিত্ব অৰ্জন কৰে। এই জনজাতীয় অঞ্চলৰ জীৱন আছিল পথাৰৰ কাম, সীমিত শিক্ষা আৰু সীমিত সপোনৰ ওপৰত নিৰ্ভৰশীল; তথাপিও বিনীতাৰ সপোন বৰঞ্চ এভাৰেষ্টতকৈও ওখ আছিল। ১৯৮৭ চনৰ ২১ জুনত জন্মগ্ৰহণ কৰা বিনীতাই কেৱল মাউণ্ট এভাৰেষ্ট জয় কৰাই নহয়, বৰঞ্চ নিজৰ আবেগ, উদ্যম আৰু দৃঢ় সংকল্পৰে ভাৰতীয় জনজাতীয় সমাজক এক নতুন পৰিচয়ো আনি দিলে।

কোলহান অঞ্চলৰ জীয়ৰী বিনীতা ছোৰেনে পথাৰৰ মাজতেই নিজৰ শৈশৱ অতিবাহিত কৰিছিল। তেওঁৰ গাঁও আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলবোৰত ছোৱালীৰ বাবে কেৱল শিক্ষকতা বা নাৰ্চিংকহে একমাত্ৰ কেৰিয়াৰৰ বিকল্প হিচাপে গণ্য কৰা হৈছিল, কিন্তু তেওঁৰ সপোন আছিল সম্পূৰ্ণ সুকীয়া। অৱশেষত এভাৰেষ্ট জয় কৰাৰ পূৰ্বে তেওঁ সাত বছৰ ধৰি কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। এই সময়ছোৱাত তেওঁ বুজি পাইছিল যে পৰ্বতাৰোহণ কেৱল শাৰীৰিক শক্তিৰে পৰীক্ষা নহয়, বৰঞ্চ ই মানসিক শক্তি, সাহস আৰু দৃঢ়তাৰো পৰীক্ষা। প্ৰচণ্ড ঠাণ্ডা আৰু তুষাৰপাতে তেওঁৰ সমুখলৈ বহু প্ৰত্যাহ্বানমূলক মুহূৰ্ত কঢ়িয়াই আনিছিল। বহু সময়ত তেওঁ অনুভৱ কৰিছিল যেন তেওঁৰ কোনো স্পষ্ট লক্ষ্য নাই, কিন্তু সাহস, অধ্যৱসায় আৰু বিশ্ব জয় কৰাৰ তীব্ৰ হেঁপাহে তেওঁক বৰফেৰে আবৃত পৰ্বতৰ সৰ্বোচ্চ শিখৰলৈ লৈ গৈছিল।

২০০৪ চনত বিনীতাই প্ৰথমবাৰৰ বাবে বাচেন্দ্ৰী পালক লগ পায় আৰু তেওঁৰ দ্বাৰা অনুপ্ৰাণিত হৈ এগৰাকী পৰ্বতাৰোহী হোৱাৰ লক্ষ্য স্থিৰ কৰে। মাউণ্ট এভাৰেষ্ট আৰোহণ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা বাচেন্দ্ৰী পালে বিনীতাক প্ৰশিক্ষণ দিছিল। এক জনজাতীয় আৰু কৃষক পৰিয়ালৰ পৰা অহাৰ বাবে পৰ্বতাৰোহী হোৱাৰ বাবে তেওঁৰ কোনো পূৰ্ব অনুপ্ৰেৰণা নাছিল। কেৱল ঘৰৰ পৰা ওলাই অহাটোৰেই তেওঁৰ বাবে মাউণ্ট এভাৰেষ্ট বগোৱাৰ দৰেই এক কঠিন কাম আছিল, কিন্তু তেওঁৰ পৰিয়ালে তেওঁক বিশ্বাস কৰিছিল আৰু আগবাঢ়ি যাবলৈ উৎসাহিত কৰিছিল। কঠোৰ প্ৰশিক্ষণৰ অন্তত যেতিয়া বাচেন্দ্ৰী পালে বিনীতাক কৈছিল যে তেওঁ এভাৰেষ্টৰ বাবে সাজু, তেতিয়া তেওঁ নিজকে ৰখাব নোৱাৰিলে। অৱশেষত, তেওঁ এভাৰেষ্ট জয় কৰিলে। ইয়াৰ পিছত তেওঁ আন বহুতো শৃংগ জয় কৰে। আজি তেওঁৰ পৰিয়ালটোক তেওঁৰ নামেৰেই জনা যায়। ঝাৰখণ্ডৰ ছাৰাইকেলা খাৰচাৱা জিলাৰ কেশোৰচোৱা গাঁৰৰ বাসিন্দা বিনীতাক টাটা ষ্টিলে তেওঁলোকৰ কৰ্পৰেট সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে এভাৰেষ্ট অভিযানত সহায় কৰিছিল। এগৰাকী গ্ৰাম্য জনজাতীয় ছোৱালীয়ে বিশ্বৰ সৰ্বোচ্চ ৮,৮৪৮ মিটাৰ উচ্চতাৰ শৃংগত কৰা এই আৰোহণ প্ৰকৃতাৰ্থত এক অভিলেখ হিচাপে পৰিগণিত হ'ল। তেওঁ নিজৰ এই কৃতিত্বৰ বাবে সমগ্ৰ দেশজুৰি অসংখ্য সন্মান আৰু বঁটা লাভ কৰিছে।



প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত ৫১সংখ্যক প্ৰগতি বৈঠক

# নিয়মীয়া পৰ্যবেক্ষণ আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ

ভাৰতৰ ডিজিটেল প্ৰশাসনৰ ক্ষেত্ৰত প্ৰগতি (PRAGATI - Pro-Active Governance and Timely Implementation) এক গুৰুত্বপূৰ্ণ আৰু ফলপ্ৰসূ মঞ্চ হিচাপে প্ৰতিষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিয়মীয়া অধ্যক্ষতাত এই মঞ্চই ২০১৫ চনৰ মাৰ্চ মাহৰ পৰা বহুতো বৃহৎ প্ৰকল্পৰ কাম-কাজ ক্ষিপ্ৰতৰ কৰাত এক মুখ্য ভূমিকা পালন কৰি আহিছে। এই প্ৰচেষ্টাক আগুৱাই লৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত সমন্বয় সাধন কৰি এক উন্নত আৰু সময়সীমাৰ ভিতৰত সু-প্ৰশাসন নিশ্চিত কৰাৰ উদ্দেশ্যে ২৭ মে'ত প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত ৫১ সংখ্যক 'প্ৰগতি' বৈঠক অনুষ্ঠিত হয়...

আইচিটি প্ৰযুক্তি-আধাৰিত আৰু বহুমাত্ৰিক মঞ্চ 'প্ৰগতি'ৰ ৫১সংখ্যক বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰে'লৱে, বিদ্যুৎ আৰু পথ খণ্ডৰ মুঠ প্ৰায় ৩০,০০০ কোটি টকা ব্যয়সাপেক্ষ সাতটা আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা কৰে। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্ব আৰোপ কৰি কয় যে জনকল্যাণমূলক প্ৰকল্পসমূহ ৰূপায়ণত পলম হ'লে কেৱল খৰচেই বৃদ্ধি নহয়, বৰঞ্চ ইয়াৰ ফলত সাধাৰণ নাগৰিকে লাভ কৰিবলগীয়া সা-সুবিধাসমূহ লাভ কৰাতো পলম হয়। তেওঁ উল্লেখ কৰে যে প্ৰতিটো বিলম্বই মানুহৰ জীৱনযাত্ৰা, আঞ্চলিক উন্নয়ন আৰু ৰাজহুৱা সম্পদৰ ওপৰত পোনপটীয়া প্ৰভাৱ পেলায়। এই সন্দৰ্ভত তেওঁ বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু ৰাজ্যসমূহক অমীমাংসিত বিষয়সমূহ সমাধান কৰিবলৈ, বাধাসমূহ দূৰ কৰিবলৈ আৰু কাম-কাজ ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ এক সক্ৰিয় দৃষ্টিভংগী গ্ৰহণৰ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে কেন-বেটৱা নদী সংযোগ প্ৰকল্পটো আন ৰাজ্যসমূহৰ বাবে এক আৰ্হি হোৱা উচিত, যাৰ দ্বাৰা তেওঁলোকে নিজৰ মাজত থকা জলসম্পদ সম্পৰ্কীয় সমস্যাসমূহ পাৰস্পৰিক বুজাবুজিৰে সমাধান কৰিব পাৰে। তেওঁ চহৰীয়া আৱৰ্জনা ব্যৱস্থাপনাৰ সৈতে জড়িত আন্তঃগাঁথনি, যেনে আৱৰ্জনা প্ৰক্ৰিয়াকৰণ প্ৰকল্প আৰু 'গোবৰ্ধন' প্ৰকল্পসমূহৰ কাম যিমান পাৰি সোনকালে সম্পূৰ্ণ কৰিবলৈ ৰাজ্যসমূহক আহ্বান জনায়। ইফালে, প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি, সামাজিক খণ্ডৰ আঁচনিসমূহৰ মাহেকীয়া পৰ্যালোচনাৰ বাবে ৰাজ্যিক পৰ্যায়ত এক ব্যৱস্থা আৰম্ভ কৰা হৈছে, যাৰ শুভাৰম্ভণি স্বচ্ছ ভাৰত মিছনৰ পৰ্যালোচনাৰ জৰিয়তে কৰা হৈছে। ●

### প্ৰধানমন্ত্ৰী মোদীৰ গুৰুত্বপূৰ্ণ প্ৰকল্প পৰ্যালোচনা

- ৰে'লৱে, বিদ্যুৎ আৰু পথ খণ্ডৰ সাতটা আন্তঃগাঁথনি প্ৰকল্প।
- স্বচ্ছ ভাৰত মিছন-নগৰ ২.০ আৰু কেন-বেটৱা সংযোগ প্ৰকল্প।
- চহৰাঞ্চলসমূহত এক অভিযান হিচাপে ছাদৰ ওপৰত সৌৰ শক্তি ব্যৱস্থা সম্প্ৰসাৰণৰ আহ্বান।

৯খন ৰাজ্যত বিস্তৃত মুঠ **৩০,০০০** কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ পৰ্যালোচনা কৰা হয়।



আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ১২ বছৰ

# সমগ্ৰ বিশ্বৰে সৰ্ববৃহৎ সাংস্কৃতিক মহোৎসৱ হিচাপে প্ৰতিষ্ঠিত হৈছে যোগ

*"যোগশ্চিত্তবৃত্তিনিৰোধ:"* যোগ হৈছে চিত্ত বা মনৰ চিন্তাৰ তৰংগ বা অস্থিৰতাৰ অৱসান। দেশৰ স্বাস্থ্যসেৱা খণ্ডত যোগ, আয়ুৰ্বেদ আৰু অন্যান্য পৰম্পৰাগত চিকিৎসা পদ্ধতিক একত্ৰিত কৰাৰ উদ্দেশ্যে ২০১৪ চনত এক সুকীয়া 'আয়ুষ মন্ত্ৰালয়' গঠনৰ প্ৰচেষ্টা আৰু ২০১৫ চনৰ ২১ জুনৰ পৰা বিশ্বজুৰি 'আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস' উদযাপনৰ আৰম্ভণি আছিল এক ডাঙৰ যুগান্তকাৰী পৰিৱৰ্তন। যোগ আমাৰ সভ্যতাৰ এক পৰিচয়, যিয়ে আমাক সকলো দিশৰ পৰা সুস্থ আৰু সুষম কৰি ৰাখে। আজিকালি, যোগৰ শক্তিৰে বলীয়ান হৈ ভাৰতে সমগ্ৰ বিশ্বতে নিজৰ 'ছফ্‌ট পাৱাৰ'ৰ এক অপৰিসীম প্ৰভাৱ প্ৰদৰ্শন কৰিছে...

এই বছৰৰ ২১ জুন তাৰিখে দ্বাদশ 'আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস' পালন কৰা হ'ব, যিটো এক বিশেষ ক্ষণৰ সৈতে খাপ খাই পৰিছে। যিহেতু এই বছৰটোৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰো ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰাটোক সূচাইছে, সেইবাবে জুন মাহটো এক উদযাপনৰ মাহ হৈ পৰিছে...

সাধাৰণ জনতাই হওক বা বিশিষ্ট ব্যক্তি, তৰুণ বা প্ৰবীণেই হওক, মহিলা বা শিশোৱেই হওক, বিশ্বাসীয়েই হওক বা অবিশ্বাসী, আজি 'যোগ' সকলো বয়সৰ লোকৰে শাৰীৰিক, মানসিক, আবেগিক আৰু প্ৰাণশক্তিৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে। ধৰ্ম, সম্প্ৰদায়, জাতি, ধনী-দুখীয়াৰ প্ৰাচীৰ ভাঙি, আনকি দেশসমূহক বিভক্ত কৰা ৰাষ্ট্ৰীয় সীমান্তৰ পৰিধি নেওচি ই সমগ্ৰ বিশ্বৰে বাবে এক সৰ্বজনীন ভাষা হিচাপে ধৰা দিছে। যোগৰ এই অনন্য বৈশিষ্ট্যক যুগ যুগ পূৰ্বে মহান সংস্কৃত কবি ভৰ্তহৰিয়ে তেওঁৰ 'শতকত্ৰয়ম'ত উচ্চ প্ৰশংসা কৰি থৈ গৈছে।

**धैर्यं यस्य पिता क्षमा च जननी शान्तिश्चिरं गेहिनी**

**सत्यं सूनुरयं दया च भगिनी भ्राता मनः संयमः ।**

**शय्या भूमितलं दिशोऽपि वसनं ज्ञानामृतं भोजनं**

**एते यस्य कुटुम्बिनः वद सखे कस्माद् भयं योगिनः ।।**

যুগ যুগ পূৰ্বে ব্যক্ত কৰা এই শ্লোকটোৰ অৰ্থ হৈছে এই যে নিয়মীয়া যোগাভ্যাসৰ জৰিয়তে কিছুমান মানৱীয় গুণ আমাৰ আপোন আত্মীয় স্বজনৰ দৰে হৈ পৰে। যোগৰ অনুশীলনে আমাৰ মাজত সাহসৰ সঞ্চাৰ কৰে, যিয়ে আমাক দেউতাকৰ দৰে সদায় সুৰক্ষা দিয়ে; ই ক্ষমাৰ ভাব জগাই তোলে, যিদৰে এগৰাকী মাতৃৰ সন্তানৰ প্ৰতি মৰম থাকে আৰু মানসিক শান্তিয়ে আমাৰ চিৰসংগীৰ ৰূপ লয়। ভৰ্তহৰিয়ে উল্লেখ কৰিছে যে নিয়মীয়া যোগাভ্যাসৰ দ্বাৰা সত্য আমাৰ সন্তান, কৰুণা আমাৰ ভগ্নী, সংযম আমাৰ ভাতৃ, এই ধৰিত্ৰীয়েই আমাৰ শয্যা আৰু জ্ঞানেই আমাৰ ভোক নিবাৰণ কৰা আহাৰ হৈ পৰে। যেতিয়া এজন ব্যক্তি এনে অজস্ৰ সদগুণেৰে পৰিবেষ্টিত হৈ থাকে, তেতিয়া সেই যোগীজনে সকলো ধৰণৰ ভয়ৰ ওপৰত বিজয় সাব্যস্ত কৰে।

প্ৰকৃততে, স্বাস্থ্য বীমা যেনেকৈ বিনামূলীয়াকৈ পোৱা টান, তেনেকৈ যোগেই হৈছে একমাত্ৰ সুস্বাস্থ্যৰ নিশ্চিতি, যিয়ে শূন্য খৰচতে আপোনাক এই নিশ্চয়তা প্ৰদান কৰে। সেইবাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে: "এই শতিকাত আমি প্ৰত্যক্ষ কৰিছোঁ যে কেনেকৈ যোগে সমগ্ৰ বিশ্বক একত্ৰিত কৰিছে। যোগে যিদৰে শৰীৰ, মন, বুদ্ধি আৰু আত্মাক একসূত্ৰে গাঁথে, ঠিক তেনেদৰেই ই আজি সমগ্ৰ বিশ্বকো একত্ৰিত কৰিছে।" যোগে যেনেকৈ শৰীৰ, মন, বুদ্ধি আৰু আত্মাৰ সমন্বয় সাধন কৰে, ঠিক তেনেকৈয়ে আজি ই জগতখনক একত্ৰিত কৰি আছে। সকলোৱে মানসিক চাপমুক্ত, ৰোগমুক্ত আৰু আনন্দময় জীৱন যাপন কৰাৰ আকাংক্ষা কৰে; যদিহে এই সকলোবোৰ আকাংক্ষা বাস্তৱায়িত কৰিব পৰা এটা পথ থাকে, তেন্তে সেই পথটোৱেই হ'ল যোগ। যদি কোনোবাই প্ৰকৃততে কেনেকৈ সামগ্ৰিক আৰু সুষম জীৱন যাপন কৰিব পাৰি সেই বিষয়ে আৱিষ্কাৰ কৰিব বিচাৰে-আৰু শৰীৰ, মন, চিন্তা আৰু আচৰণৰ সুস্থতাৰ দিশত সেই আভ্যন্তৰীণ যাত্ৰা অনুভৱ কৰিব বিচাৰে-তেন্তে যোগৰ জৰিয়তেহে এইটো সম্ভৱ হৈ উঠে।"

যোগ কেৱল শাৰীৰিক ব্যায়ামৰ এটা প্ৰকাৰ নহয়; বৰঞ্চ ই নিজৰ সৈতে, জগতখনৰ সৈতে আৰু প্ৰকৃতিৰ সৈতে-একতাৰ অনুভূতি আৱিষ্কাৰ কৰাৰ অভিযানক মূৰ্ত কৰি তুলিছে। প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ চাৰি মাহৰ ভিতৰতে ২০১৪ চনৰ ২৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী মোদীয়ে যোগক বিশ্বায়নিক মঞ্চলৈ উন্নীত কৰাৰ উদ্যোগ লৈছিল; এই পদক্ষেপক পৰৱৰ্তী সময়ত ২০১৪ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে সমৰ্থন কৰে, যাৰ ফলত ২১ জুনক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে স্বীকৃতি দিয়া হয়।

## যোগ হৈ পৰিল এক বিশ্বজোৰা উদযাপন

যোগ: কৰ্মসু কৌশলম্।। -অৰ্থাৎ কৰ্মৰ কুশলতাই যোগ। এই মন্ত্ৰই আমাক শিকাইছে যে যোগৰ জৰিয়তে জীৱনত অধিক যোগ্য হোৱাৰ সামৰ্থ্যৰ সৃষ্টি হয়। যদি আমি নিজৰ কাম অনুশাসনেৰে কৰোঁ আৰু নিজৰ দায়িত্ব পালন কৰোঁ, সেয়াও এক ধৰণৰ যোগেই। এই মন্ত্ৰকে মূৰ্ত কৰি যোগক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি দিয়াই ভাৰতে "ছফ্‌ট পাৱাৰ" হিচাপে নিজৰ পৰিচয় গঢ়িছে; তদুপৰি, যোগক কৰ্ম যোগৰ সৈতে সংযোগ কৰি ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰ হিচাপে বিকাশৰ শক্তি বহুগুণে বৃদ্ধি কৰিছে।

ভাৰতে সবাতোকৈ বেছি প্ৰভাৱশালী গোট জি-২০ৰ অধ্যক্ষতা কৰি, ইয়াৰ প্ৰতিটো আয়োজনত যোগক বিশেষভাৱে অংশ কৰি ভাৰতীয় সভ্যতাৰ পৰিচয়ক শক্তি প্ৰদান কৰে।

২০১৪ চনত আয়ুষ মন্ত্ৰালয় গঠন কৰি ভাৰতে আয়ুৰ্বেদ আৰু অন্যান্য পৰম্পৰাগত চিকিৎসা ব্যৱস্থাৰ লগতে যোগক স্বাস্থ্যসেৱাত একত্ৰিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰে। ভাৰতৰ এই প্ৰচেষ্টাৰ বাবেই বিশ্বত ২০১৫ চনৰ ২১ জুনৰ পৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰিবলৈ আৰম্ভ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাসমূহৰে পৰিণতিত-ভাৰতৰ আটাইতকৈ প্ৰাচীন আৰু চহকী পৰম্পৰা হিচাপে-যোগে ৰোগ প্ৰতিৰোধৰ বাবে এক শক্তিশালী আহিলা হিচাপে আত্মপ্ৰকাশ কৰিছে, আৰু ইয়াৰ অন্তৰ্নিহিত শক্তিক বিশ্বই উপলব্ধি কৰিবলৈ সক্ষম হৈছে। আজি যোগে সকলো মানৱজাতিক ৰোগমুক্ত জীৱনৰ প্ৰতিশ্ৰুতি আগবঢ়াইছে। যোগ-যিটো মাত্ৰ কেইবছৰমানৰ আগতে




"যেতিয়া আমি কৰ্মযোগৰ মনোভাৱেৰে পৰিচালিত যোগৰ পথ গ্ৰহণ কৰোঁ তেতিয়া আমাৰ ব্যক্তি, সমাজ আৰু দেশ হিচাপে আমাৰ শক্তিও বহুগুণে বৃদ্ধি পায়। আজি, আমি এই মনোভাৱেৰেই সংকল্প ল'ব লাগিব যে আমি নিজৰ স্বাস্থ্য আৰু আপোনজনৰ স্বাস্থ্য ৰক্ষাৰ বাবে সকলো প্ৰচেষ্টা চলাম। সজাগ নাগৰিক হিচাপে আমি একত্ৰিত হৈ পৰিয়াল হিচাপে আৰু সমাজ হিচাপে আগবাঢ়ি যাম।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



## যোগ গৱেষণা

**১০০** খন ভাৰতীয় জিলাক বহুকেন্দ্ৰিক দেশজোৰা গৱেষণামূলক অধ্যয়নত সামৰি লোৱা হৈছিল য'ত যোগ ডায়েবেটিছ নিয়ন্ত্ৰণত ফলপ্ৰসূ বুলি পৰিগণিত হৈছিল

- গৱেষণা পত্ৰ প্ৰকাশৰ ক্ষেত্ৰত প্ৰায় ছগুণ বৃদ্ধি আৰু ক্লিনিকেল ট্ৰায়েলত ১১% বৃদ্ধি। নতুন দিল্লীৰ এইমছৰ চেণ্টাৰ ফৰ ইণ্টিগ্ৰেটিভ মেডিচিন এণ্ড ৰিছাৰ্চৰ ২০খনতকৈও অধিক গৱেষণা পত্ৰ আন্তঃৰাষ্ট্ৰীয় আলোচনীত প্ৰকাশ পাইছে।
- যোগাসন কৰা ৰোগীসকলৰ মাজত কেন্সাৰৰ পুনৰাবৃত্তিৰ আশংকা প্ৰায় ১৫ শতাংশ হ্ৰাস পাইছিল।
- নিউৰ'লজী আলোচনীত প্ৰকাশিত এক গৱেষণা পত্ৰত মাইগ্ৰেইন পৰিচালনাৰ ক্ষেত্ৰত যোগৰ উপকাৰিতাৰ ওপৰত আলোকপাত কৰা হৈছিল। যোগৰ জৰিয়তে প্ৰি-ডায়েবেটিছৰ বিপৰীতমুখী হোৱাটো সম্ভৱ, যিটো তথ্য আমেৰিকান ডায়েবেটিছ এছ'চিয়েশ্যনে প্ৰশংসা কৰিছিল।
- কেৰল আয়ুষ গৱেষণা পৰ্টেলতে যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰ সৈতে জড়িত প্ৰায় ১,৪২৬টা গৱেষণামূলক অধ্যয়ন তালিকাভুক্ত।

## আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ বৃদ্ধি

- আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০১৬ৰ সময়ছোৱাত চিৰাইপি ভিত্তিক বন্ধুত্বপূৰ্ণ যোগ প্ৰদৰ্শনত অংশগ্ৰহণকাৰীৰ সংখ্যা প্ৰায় ৮.৫ মিলিয়ন বুলি অনুমান কৰা হৈছিল, যিটো সংখ্যা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০১৯ৰ ভিতৰত প্ৰায় ৯ কোটিলৈ বৃদ্ধি পাইছে।
- ২০২২ চনৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত এই সংখ্যা প্ৰায় ২২১.৩ মিলিয়নত উপনীত হোৱাৰ বিপৰীতে ২০২৩ চনৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত এই সংখ্যা প্ৰায় ২৩৪.৪ মিলিয়ন আছিল।
- ২০২৪ চনৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণৰ সংখ্যা ২৪৫.৩ মিলিয়ন হয় আৰু ২০২৫ চনৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত ২৬০ মিলিয়নৰ সীমা অতিক্ৰম কৰে।
- আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ৰ বাবে ২১ জুনত চিৰাইপি ভিত্তিক বন্ধুত্বপূৰ্ণ যোগাসন প্ৰদৰ্শনত অংশগ্ৰহণৰ সংখ্যা ২৭০মিলিয়ন অতিক্ৰম কৰিব বুলি অনুমান কৰা হৈছে।

ঘৰ আৰু আধ্যাত্মিক কেন্দ্ৰত সীমাবদ্ধ আছিল-এতিয়া সমগ্ৰ বিশ্বতে জনপ্ৰিয়।

যোগ এতিয়া বিশ্বজোৰা উদযাপনলৈ ৰূপান্তৰিত হৈছে, কাৰণ ইয়াৰ উদ্দেশ্য কেৱল এজন ব্যক্তিৰ বাবে নহয়, বৰঞ্চ মানৱতাৰ কল্যাণৰ বাবেহে। এইবাৰ বিশ্বই আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন

কৰাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে ১২ বছৰীয়া যাত্ৰা সমাপ্ত কৰিছে। ভাৰতীয় সংস্কৃতিত ১২ বছৰৰ সময়ছোৱাৰ বিশেষ তাৎপৰ্য আছে; এজন তপস্বীৰ বাবে ইয়াক সমগ্ৰ যুগৰ সমতুল্য বুলি গণ্য কৰা হয়। সমান্তৰালভাৱে ভাৰতে উন্নত ৰাষ্ট্ৰ হোৱাৰ অভিলাষী লক্ষ্যৰ দিশত ক্ৰমাগতভাৱে আগবাঢ়িছে।

## যোগৰ বিশ্বজোৰা বজাৰ সম্প্ৰসাৰিত

আজিৰ দিনত যোগৰ সীমাহীন সম্ভাৱনা উপলব্ধি কৰিব পৰা সময়। যুৱক-যুৱতীসকলে বৃহৎ সংখ্যাত যোগৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিছে, নিজৰ লগত লৈ আহিছে উদ্ভাৱনীমূলক ধাৰণা। এই দিশত আয়ুষ মন্ত্ৰালয়ে 'ষ্টাৰ্টআপ যোগ চেলেঞ্জ'ও আৰম্ভ কৰিছে। আয়ুষ উদ্যোগৰ আটাইতকৈ ডাঙৰ শক্তি এইটোৱেই যে ই সকলোৰে বাবে বৈচিত্ৰ্যময় পৰিসৰৰ সুযোগ প্ৰদান কৰে। উদাহৰণস্বৰূপে, আজি ভাৰতত আয়ুষ খণ্ডৰ ভিতৰত প্ৰায় ৪০,০০০ এমএছএমই বা ক্ষুদ্ৰ উদ্যোগে-বিবিধ সামগ্ৰী আগবঢ়াইছে আৰু অসংখ্য পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰচেষ্টাসমূহে স্থানীয় অৰ্থনীতিক এক উল্লেখযোগ্য উত্থান প্ৰদান কৰিছে। মাত্ৰ ১২ বছৰ আগতে দেশৰ আয়ুষ উদ্যোগৰ মূল্য আছিল প্ৰায় ২০,০০০ কোটি টকা। বৰ্তমানে ইয়াৰ মূল্য প্ৰায় ১.৫ লাখ কোটি টকাৰ কাষ চাপিছে। আগন্তুক সময়ত, এই খণ্ডটোৱে বিশ্ব বজাৰত আৰু অধিক সম্প্ৰসাৰণৰ বাবে সাজু হৈছে। বৰ্তমান বনৌষধি আৰু মছলাৰ বিশ্বজোৰা বজাৰ ১২০ বিলিয়ন ডলাৰ বা প্ৰায় ১০ লাখ কোটি টকা। পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ এই খণ্ডটোৰ নিৰন্তৰ সম্প্ৰসাৰণ চলি আছে, আৰু ভাৰতে ইয়াৰ প্ৰতিটো সুযোগৰ সম্পূৰ্ণ মূলধন হিচাপে ব্যৱহাৰ কৰিবলৈ সাজু হৈ আছে। এই বৃদ্ধিয়ে যুৱক-যুৱতীসকলৰ বাবে লাখ লাখ নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। গুজৰাটৰ জামনগৰত বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতৰ সহযোগত গ্ল'বেল চেণ্টাৰ ফৰ ট্ৰেডিচনেল মেডিচিন স্থাপন কৰিছে। এই গ্ল'বেল চেণ্টাৰ ফৰ ট্ৰেডিচনেল মেডিচিন (জিচিটিএম)ৰ দৰে পদক্ষেপৰ দ্বাৰা ভাৰতে পৰম্পৰাগত চিকিৎসাৰ ক্ষেত্ৰত নিজকে বিশ্বগুৰু হিচাপে আগশাৰীৰ স্থানত উপনীত কৰাইছে। এই কেন্দ্ৰটোৱে পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ গৱেষণাৰ প্ৰসাৰ আৰু পৰিচালনাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপক প্ৰতিনিধিত্ব কৰে। ই বিশ্বায়নিক প্ৰমাণভিত্তিক পৰম্পৰাগত, পৰিপূৰক আৰু সংহত চিকিৎসা (টিচিআইএম)ৰ বাবে এক গুৰুত্বপূৰ্ণ জ্ঞানৰ কেন্দ্ৰ হিচাপে কাম কৰে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে এইমছৰ আৰ্হিত অতিৰিক্ত তিনিটা আয়ুৰ্বেদ প্ৰতিষ্ঠান স্থাপনৰ কথা ঘোষণা কৰিছে।

## আমাৰ যোগৰ তাৎপৰ্যক বিশ্বই স্বীকাৰ কৰিছে

আয়ুৰ্বেদৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ আন এটা প্ৰধান দিশ হ'ল যোগ পৰ্যটন। যোগ কেৱল শাৰীৰিক ব্যায়ামৰ এটা প্ৰকাৰ নহয়; বৰঞ্চ ই একতাৰ অনুভূতি আৱিষ্কাৰ কৰাৰ অভিযানক মূৰ্ত কৰি তুলিছে-নিজৰ সৈতে, জগতখনৰ সৈতে আৰু প্ৰকৃতিৰ সৈতে। এই আৱেগক দৃঢ়তা প্ৰদান কৰা হৈছিল যেতিয়া ২১ জুনক আনুষ্ঠানিকভাৱে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে নিৰ্ধাৰণ কৰা হৈছিল-এই প্ৰস্তাৱে অভিলেখ



## যোগত প্ৰশিক্ষণ আৰু শিক্ষা

- যোগৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ বিশেষ তাৎপৰ্য আছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আয়ুষ মন্ত্ৰালয়ে মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ লগতে অন্যান্য প্ৰতিষ্ঠানৰ জৰিয়তে বিভিন্ন পৰ্যায়ত প্ৰশিক্ষণ প্ৰদান কৰি আছে।
- বৰ্তমান দেশৰ প্ৰায় ১৮৩খন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত যোগ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। এই বিশ্ববিদ্যালয়সমূহে যোগ কাৰ্যসূচী ৰূপায়ণ কৰিছে।
- যোগ প্ৰশিক্ষণ আৰু প্ৰমাণীকৰণৰ বাবে বিশেষভাৱে যোগ প্ৰমাণীকৰণ ব'ৰ্ড (ৱাইচিবি) স্থাপন কৰা হৈছিল।
- ৱাইচিবিৰ তথ্য অনুসৰি, আজিলৈকে ৯,৬০০ৰো অধিক মূল্যায়ন, ৪৮০টাতকৈ অধিক পৰীক্ষা, আৰু ১৪টাতকৈও অধিক ভাষা-নিৰ্দিষ্ট পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ উপৰিও ৫৬খনতকৈও অধিক দেশৰ প্ৰাৰ্থীৰ মূল্যায়ন কৰা হৈছে।
- উপলব্ধ তথ্য অনুসৰি, বৰ্তমান বিশ্বজুৰি প্ৰায় ৩ কোটি যোগাসনকাৰী আছে। এই দশকৰ শেষলৈকে এই সংখ্যা ৩.৫ কোটি হ'ব বুলি প্ৰক্ষেপ কৰা হৈছে।
- বৰ্তমান যোগ প্ৰমাণীকৰণ ব'ৰ্ডৰ কাৰ্যকলাপত যোগ পেছাদাৰীসকলৰ প্ৰমাণপত্ৰ, যোগ সংস্থাসমূহৰ পৰীক্ষণ, যোগ পেছাদাৰীসকলৰ বাবে প্ৰমাণীকৰণ সংস্থাসমূহৰ স্বীকৃতি, আৰু প্লেচমেণ্ট মানক অনুসৰি যোগ সংস্থাসমূহৰ গ্ৰেডিং আদি অন্তৰ্ভুক্ত কৰা হৈছে।
- তদুপৰি বিদেশত অৱস্থিত বিশ্ববিদ্যালয়সমূহত যোগাসনৰ বাবে অৰ্পিত বিভাগ স্থাপন কৰা হৈছে। যোৱা পাঁচ বছৰত সমগ্ৰ বিশ্বতে যোগ বিদ্যালয় আৰু ষ্টুডিঅ'ৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। আমেৰিকান কলেজ অৱ স্প'ৰ্টছ মেডিচিনৰ শীৰ্ষ ১০ তালিকাত যোগে ৭ম স্থান দখল কৰিছে। ভাৰত চৰকাৰে এতিয়া যোগক প্ৰতিযোগিতামূলক খেল হিচাপে স্বীকৃতি দিছে।







ভংগকাৰী সহমত লাভ কৰিছিল, ১৯৩খন সদস্যৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ভিতৰত ১৭৭খন ৰাষ্ট্ৰৰ সহযোগী পৃষ্ঠপোষকতা লাভ কৰিছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে নিজৰ প্ৰস্তাৱত স্বীকাৰ কৰিছিল: "যোগে স্বাস্থ্য আৰু মংগলৰ ক্ষেত্ৰত এক সামগ্ৰিক দৃষ্টিভংগী প্ৰদান কৰে। তদুপৰি ই জীৱনৰ সকলো ক্ষেত্ৰতে সমন্বয় স্থাপন কৰে; সেয়েহে বিশ্বৰ জনসাধাৰণৰ মাজত স্বাস্থ্যৰ বাবে যোগাভ্যাস কৰাৰ উপকাৰিতাৰ সম্পৰ্কে তথ্য ব্যাপকভাৱে প্ৰচাৰ কৰাটো লাভজনক হ'ব।" ইয়াৰ লগে লগে ভাৰতত সামগ্ৰিক স্বাস্থ্য বিপ্লৱৰ এক নতুন যুগৰ সূচনা হ'ল -যিটো নিৰাময়ৰ পৰিৱৰ্তে প্ৰতিৰোধৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ভাৰতে যেতিয়া ৰাষ্ট্ৰসংঘত যোগৰ প্ৰস্তাৱ দাখিল

## আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস - ২০২৬

অহা ২১ জুনত পশ্চিম বংগৰ ৰাজধানী কলকাতাত অনুষ্ঠিত হ'ব আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস (আইডিৱাই) ২০২৬ৰ মূল অনুষ্ঠান। এইবাৰৰ উদযাপনৰ বিষয়বস্তু হৈছে 'সুস্থ বয়স বৃদ্ধিৰ বাবে যোগাসন', যিয়ে শাৰীৰিক স্বাস্থ্য, মানসিক সুস্থতা, আৰু সুস্থ বয়স বৃদ্ধিৰ ক্ষেত্ৰত যোগৰ ভূমিকাক উজ্জ্বল কৰি তুলিছে।



কৰিছিল, তেতিয়া ৰাষ্ট্ৰসংঘৰ ৰেকৰ্ডত দেখা গৈছে যে বিশ্বৰ বিপুল সংখ্যক ৰাষ্ট্ৰৰ সহযোগী পৃষ্ঠপোষকতাত ই প্ৰথম এনে প্ৰস্তাৱ হিচাপে পৰিগণিত হৈছিল। তদুপৰি ৰাষ্ট্ৰসংঘৰ ইতিহাসৰ আটাইতকৈ কম সময়ৰ ভিতৰতে গ্ৰহণ কৰা সংকল্পও হৈ পৰিল।

### যোগক মূলসুঁতিত একত্ৰিত কৰাৰ প্ৰচেষ্টা

ভাৰতৰ স্বাধীনতাৰ পিছত সঁচাকৈয়ে জনস্বাস্থ্য কাৰ্যসূচীত যোগক অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছিল; কিন্তু এই পদক্ষেপসমূহ ইমানেই লাহে লাহে আগবাঢ়িছিল যে সেই যুগত যোগে প্ৰাপ্য স্বীকৃতি লাভ কৰিব নোৱাৰিলে। ১৯৭৬ চনত প্ৰথম যোগৰ কেন্দ্ৰীয় গৱেষণা প্ৰতিষ্ঠান (বৰ্তমান মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠান) প্ৰতিষ্ঠা কৰা হয়। ১৯৭৮ চনত যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰ গৱেষণা কেন্দ্ৰীয় পৰিষদ প্ৰতিষ্ঠা কৰা হয়। ২০০৩ চনত ভাৰতীয় চিকিৎসা ব্যৱস্থা আৰু হোমিঅ'পেথী বিভাগৰ নাম সলনি কৰি আয়ুষ বিভাগ কৰা হয়। কিন্তু প্ৰকৃত আৰম্ভণি হয় ২০১৪ চনৰ ৯ নৱেম্বৰত, যেতিয়া আয়ুষৰ এটা নিষ্ঠাবান মন্ত্ৰালয় স্থাপন কৰা হৈছিল। তদুপৰি ৰাষ্ট্ৰসংঘত প্ৰধানমন্ত্ৰী মোদীয়ে দিয়া ভাষণৰ পিছত-যিটোৱে যোগৰ বাবে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছিল-এইটোৱে সমগ্ৰ বিশ্বতে এক গণ আন্দোলন হিচাপে আত্মপ্ৰকাশ কৰিছিল। তদুপৰি ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহত চৰকাৰে এখন বিশেষ ব'ৰ্ড গঠন কৰে: নেচনেল ব'ৰ্ড ফৰ যোগ এণ্ড নেচাৰ'পেথী। এই কাঠামোৰ অধীনত দেশৰ ভিতৰত যোগ প্ৰশিক্ষণৰ মান বৃদ্ধিৰ বাবে এইমছ আৰু আই আই টিৰ দৰে প্ৰধান প্ৰতিষ্ঠানৰ বিশেষজ্ঞসকলক তালিকাভুক্ত কৰা হৈছে। বাৰ্ষিক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ আয়োজনত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ন'ডেল মন্ত্ৰালয় হিচাপে কাম কৰি আয়ুষ মন্ত্ৰালয়েও এই উপলক্ষে 'কমন যোগ প্ৰট'কল' জাৰি কৰে। আশা কৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান কৰি গ্ৰাম্য অঞ্চলত যোগাসনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে, যাৰ জৰিয়তে

> বৰ্তমান সময়ৰ ধামখুমীয়া আৰু দ্ৰুতগতিৰ জীৱনত যোগে মন, শৰীৰ, বুদ্ধি আৰু আত্মাৰ সমন্বয় সাধন কৰি ব্যক্তিৰ জীৱনলৈ শান্তি আনে। ব্যক্তিজনক তেওঁলোকৰ পৰিয়ালৰ সৈতে সংযোগ কৰি ই পৰিয়ালৰ ভিতৰত সুখৰ পোষকতা কৰে। সমাজৰ প্ৰয়োজনীয়তাৰ প্ৰতি পৰিয়ালক সংবেদনশীল কৰি ই সমাজৰ ভিতৰত সম্প্ৰীতিৰ কৰ্ষণ কৰে। সমাজ ইয়াৰ ফলস্বৰূপে দেশক ঐক্যবদ্ধভাৱে বান্ধি ৰখা সূতা হৈ পৰে। এনে দেশসমূহে পৃথিৱীলৈ শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই আনে। মানৱতা ভাতৃত্ববোধৰ মনোভাৱেৰে জাতিষ্কাৰ হৈ উঠে আৰু পৰিপুষ্ট হয়। মূলতঃ যোগে ব্যক্তি, পৰিয়াল, সমাজ, দেশ, জগত আৰু সকলো মানৱতাক সংযোগ কৰে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

তেওঁলোকক প্ৰচাৰৰ বাবে মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছে। আশা কৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান কৰি তেওঁলোকক জনসচেতনতা বিস্তাৰৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ জৰিয়তে গ্ৰাম্য অঞ্চলসমূহতো যোগৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰথমবাৰৰ বাবে আয়ুষ মন্ত্ৰালয় আৰু যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে যৌথভাৱে যোগক এক প্ৰতিযোগিতামূলক ক্ৰীড়া হিচাপে স্বীকৃতি দিয়াৰ উদ্দেশ্যে এক পদক্ষেপ আৰম্ভ কৰিছে। 'ফিট ইণ্ডিয়া আন্দোলন'ৰ এক মুখ্য উপাদান হিচাপেও যোগক অন্তৰ্ভুক্ত কৰা হৈছে। বৰ্তমান সময়ত যোগৰ অধ্যয়ন একান্তই প্ৰয়োজনীয়

### যোগ ৩৬৫... যাতে যোগ কেৱল বাৰ্ষিক উদযাপন নহয়, দৈনন্দিন অভ্যাস হৈ উঠে

২০১৫ চনত আৰম্ভ হোৱাৰ পিছৰে পৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস দ্ৰুতগতিত বিশ্বৰ অন্যতম বৃহৎ স্বাস্থ্য আন্দোলন হিচাপে বিকশিত হৈছে। এতিয়া ভাৰত চৰকাৰে ইয়াক কেৱল এদিনীয়া উদযাপনৰ পৰিসীমাত সীমাবদ্ধ নাৰাখি এক দৈনন্দিন অভ্যাসত পৰিণত কৰাৰ লক্ষ্য লৈছে। এই উদ্দেশ্য আগত ৰাখিয়েই 'যোগ ৩৬৫' পদক্ষেপ আৰম্ভ কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে ব্যক্তি, প্ৰতিষ্ঠান আৰু সমাজক সমগ্ৰ বছৰ জুৰি নিয়মীয়াকৈ যোগচৰ্চাৰ সৈতে সংযুক্ত কৰা। জনসাধাৰণৰ নীৰৱচ্ছিন্ন অংশগ্ৰহণ, প্ৰতিষ্ঠানসমূহৰ সহযোগিতা আৰু ডিজিটেল প্লেটফৰ্মৰ ব্যৱহাৰৰ জৰিয়তে যোগ ৩৬৫য়ে স্বাস্থ্য আৰু সুস্থতাক সকলোৰে বাবে অধিক সুলভ, অন্তৰ্ভুক্তিমূলক আৰু অভ্যাসভিত্তিক কৰি তোলাৰ প্ৰয়াস কৰিছে। এই পদক্ষেপৰ অধীনত চৰকাৰে বিনামূলীয়া অনলাইন যোগ অধিৱেশন প্ৰদান কৰিবলৈও সন্মতি জনাইছে। এই অধিৱেশনসমূহত প্ৰতিদিনে সহজ যোগাভ্যাসৰ নিয়মীয়া অনুশীলন অন্তৰ্ভুক্ত থাকে।

### সমূহীয়াভাৱে ভুজংগাসন কৰি এছিয়াৰ অভিলেখ স্থাপন

২১ জুনত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ ৫০ দিন পূৰ্বে কানহা শান্তি বনমত ৬,০০০তকৈ অধিক অংশগ্ৰহণকাৰীয়ে একেলগে ভুজংগাসন (কোব্ৰা প'জ) সম্পাদন কৰে। এই উল্লেখযোগ্য কৃতিত্বক এছিয়া বুক অৱ ৰেকৰ্ডছত একেলগে কোনো যোগাসন সম্পাদন কৰা সৰ্ববৃহৎ গোট হিচাপে আনুষ্ঠানিকভাৱে লিপিবদ্ধ কৰা হয়। এই সাফল্যই যোগৰ জৰিয়তে প্ৰচাৰিত সমূহীয়া অংশগ্ৰহণ আৰু সামূহিক কল্যাণৰ চেতনাক প্ৰতিফলিত কৰে।

## আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ জনপ্ৰিয়তা অবিৰতভাৱে বৃদ্ধি পাইছে

**২০২৫**



বিশাখাপট্টনমত এক আনুষ্ঠানিক অনুষ্ঠান আয়োজন কৰা হৈছিল, য'ত প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত ৩,০০,০০০তকৈ অধিক লোকে অংশগ্ৰহণ কৰিছিল। এই অনুষ্ঠানত দুটা গিনিছ বিশ্ব অভিলেখ স্থাপন কৰা হৈছিল: ১. একক স্থানত অনুষ্ঠিত সৰ্ববৃহৎ যোগ অধিৱেশন; ২. সৰ্ববৃহৎ সমূহীয়া সূৰ্য নমস্কাৰ।

বিষয়বস্তু: 'এক পৃথিৱী, এক স্বাস্থ্যৰ বাবে যোগ'

**২০২৪**



শ্ৰীনগৰত অনুষ্ঠান আয়োজন কৰা হৈছিল। ইয়াৰ বিষয়বস্তুত ব্যক্তিগত আৰু সামাজিক কল্যাণ বৃদ্ধিত যোগৰ দ্বৈত ভূমিকাক গুৰুত্ব দিয়া হৈছিল।

বিষয়বস্তু: 'নিজৰ বাবে আৰু সমাজৰ বাবে যোগ'

**২০২৩**



২০২৩ চনত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত উদযাপনৰ নেতৃত্ব দিছিল। এই যোগ অনুষ্ঠানত ১৩৫খন দেশৰ অংশগ্ৰহণ নিশ্চিত হৈছিল।

বিষয়বস্তু: 'বসুধৈৱ কুটুম্বকমৰ বাবে যোগ'

**২০২২**



প্ৰধানমন্ত্ৰী মোদীয়ে কৰ্ণাটকৰ মহীশূৰত আন অংশগ্ৰহণকাৰীসকলৰ সৈতে যোগাভ্যাস কৰিছিল।

বিষয়বস্তু: 'মানৱতাৰ বাবে যোগ'

**২০২১**



বিশ্বজোৰা মহামাৰীৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে ভাষণ প্ৰদান কৰিছিল। এই বছৰ ডাব্লিইএইচঅ'-এমযোগা এপ উদ্বোধন কৰা হৈছিল।

বিষয়বস্তু: সুস্থতাৰ বাবে যোগ'

**২০২০**



বিশ্বব্যাপী কোভিড-১৯ সংকটৰ বাবে কোনো ৰাজহুৱা সমাৱেশ অনুষ্ঠিত হোৱা নাছিল; কিন্তু অনুষ্ঠানটো ভাৰ্চুৱেল মাধ্যমত আয়োজন কৰা হৈছিল।

বিষয়বস্তু: 'ঘৰত যোগ আৰু পৰিয়ালৰ সৈতে যোগ'

**২০১৯**



প্ৰধানমন্ত্ৰী মোদীয়ে ৰাঁচীত অংশগ্ৰহণকাৰীসকলৰ সৈতে যোগ দিৱস উদযাপন কৰিছিল।

বিষয়বস্তু: 'হৃদযন্ত্ৰৰ যত্নৰ বাবে যোগ'

**২০১৮**



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডেৰাডুনত ৫০,০০০ অংশগ্ৰহণকাৰীৰ সৈতে যোগাভ্যাস কৰিছিল।

বিষয়বস্তু: 'শান্তিৰ বাবে যোগ'

**২০১৭**



লক্ষ্ণৌত ৫১,০০০ অংশগ্ৰহণকাৰীৰ উপস্থিতিত যোগ দিৱস উদযাপন কৰা হৈছিল; এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে দৈনন্দিন জীৱনত যোগৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিছিল।

বিষয়বস্তু: 'স্বাস্থ্যৰ বাবে যোগ'

**২০১৬**



চণ্ডীগড়ত এক আনুষ্ঠানিক অনুষ্ঠান আয়োজন কৰা হৈছিল, য'ত প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত ৩০,০০০ লোকে অংশগ্ৰহণ কৰিছিল।

বিষয়বস্তু: 'এছডিজিৰ বাবে যোগ'

**২০১৫**



নতুন দিল্লীৰ কৰ্তব্য পথত অনুষ্ঠিত এই অনুষ্ঠানত ৩৫,৯৮৫জনে অংশগ্ৰহণ কৰিছিল। এই উপলক্ষে দুটা গিনিছ বিশ্ব অভিলেখ স্থাপন কৰা হৈছিল।

বিষয়বস্তু: 'সামঞ্জস্য আৰু শান্তিৰ বাবে যোগ'

**আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ৰ বিষয়বস্তু** : 'সুস্থ বাৰ্ধক্যৰ বাবে যোগ'

হৈ পৰিছে; এই কথা উপলব্ধি কৰি এনচিইআৰটিয়ে স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ সৈতে একেলগে যোগক প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে।

অৱশেষত, 'আয়ুষ্মান ভাৰত' আঁচনিৰ অধীনত দেশজুৰি ১২,৫০০টা আয়ুষ স্বাস্থ্য আৰু সুস্থতা কেন্দ্ৰৰ নেটৱৰ্কৰ জৰিয়তে যোগ প্ৰশিক্ষণ প্ৰদানৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।





## সংস্কৃতিৰ অমৰ ঐতিহ্য

আজিৰ দিনত ডেৰাডুনৰ পৰা ডাবলিনলৈ, ছাংহাইৰ পৰা চিকাগোলৈ, আৰু জাকাৰ্টাৰ পৰা জোহানেছবাৰ্গলৈ-যোগৰ সৰ্বব্যাপী উপস্থিতি ভাৰতীয়সকলৰ বাবে গৌৰৱৰ বিষয়। হিমালয়ৰ আকাশলংঘী শৃংগসমূহৰ মাজতেই হওক বা মৰুভূমিৰ প্ৰখৰ উত্তাপৰ মাজতেই হওক, যোগে প্ৰতিটো পৰিস্থিতিত প্ৰতিজন ব্যক্তিৰ জীৱন সমৃদ্ধ কৰি তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "যেতিয়া বিভাজনমূলক শক্তিসমূহে প্ৰাধান্য লাভ কৰে, তেতিয়া খণ্ড-বিখণ্ডতাৰ সৃষ্টি হয়। ব্যক্তিৰ মাজত, সমাজৰ ভিতৰত আৰু জাতিসমূহৰ মাজতো বিভাজন ঘটে। সমাজৰ ভিতৰত দেৱাল গঢ়ি উঠে, পৰিয়ালৰ ভিতৰত মতানৈক্য বৃদ্ধি পায়, আৰু জীৱনত ক্ৰমাগতভাৱে বৃদ্ধি পোৱা মানসিক চাপৰ ফলত ব্যক্তিয়ে নিজেও ভিতৰৰ পৰা ভাঙি পৰে। এই খণ্ড-বিখণ্ডতাৰ মাজতেই যোগে একতাৰ সেতু গঢ়ে; ই মানুহক একত্ৰিত কৰাৰ কাম কৰে।"

যোগৰ বাবেই আজি অসংখ্য নতুন যোগ প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। যোগ প্ৰশিক্ষকৰ চাহিদাও উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। বৰ্তমান বহু যুৱক-যুৱতীয়ে যোগক পেছা হিচাপে গ্ৰহণ কৰিছে আৰু এই প্ৰতিষ্ঠানসমূহত প্ৰশিক্ষণ লাভ কৰি ইয়াক কেৰিয়াৰ হিচাপে গঢ়ি তুলিছে। ভাৰতীয় যোগ প্ৰশিক্ষকসকলৰ বিশ্বায়নিক চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। যোগে বিশ্বস্তৰত এক নতুন কৰ্মসংস্থাপনৰ বজাৰৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এই সকলো ক্ষেত্ৰতে ভাৰতবাসীয়ে বিশ্বমঞ্চত সৰ্বাধিক সন্মানজনক স্থান অধিকাৰ কৰিছে। মাত্ৰ কেইবছৰমান আগতে, ইউনেস্কোৱে ভাৰতীয় যোগক আনুষ্ঠানিকভাৱে "মানৱজাতিৰ অমূৰ্ত সাংস্কৃতিক ঐতিহ্য" হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। বিশ্বৰ বিভিন্ন সংস্থাই এতিয়া বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত যোগ প্ৰশিক্ষণ অন্তৰ্ভুক্ত কৰিছে। আজি ভাৰতৰ একাধিক ৰাজ্যয়ো নিজৰ শিক্ষা ব্যৱস্থাত যোগক অন্তৰ্ভুক্ত কৰিছে, যাতে ভৱিষ্যৎ প্ৰজন্ম এই শতাব্দী প্ৰাচীন বিজ্ঞানৰ সৈতে পৰিচিত হয়, ইয়াৰ অনুশীলনকাৰী হয় আৰু ইয়াক নিজৰ জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে গঢ়ি তোলে।

যোগ এক কোমল শক্তি হিচাপে উদ্ভাসিত যোগৰ বিশ্বজনীন স্বীকৃতিয়ে ইয়াক "ভাৰতৰ এক কোমল শক্তি উদ্যোগ" হিচাপে প্ৰতিষ্ঠা কৰিছে। কোনো এখন দেশৰ বৌদ্ধিক আৰু সাংস্কৃতিক প্ৰভাৱ-অৰ্থাৎ ইয়াৰ কোমল শক্তি-সেই সমাজৰ সৃষ্টিশীল

### যোগৰ ক্ৰমবৰ্ধমান বজাৰ

- ভাৰতত যোগৰ ইতিহাস প্ৰায় ৫,০০০ বছৰ পুৰণি।
- এলাইড মাৰ্কেট ৰিছাৰ্চৰ এক প্ৰতিবেদন অনুসৰি, ২০১৯ চনত বিশ্বায়নিক যোগ বজাৰৰ মূল্য আছিল ৩৭.৫ বিলিয়ন আমেৰিকান ডলাৰ।

২০২৭ চনৰ ভিতৰত বিশ্বায়নিক যোগ বজাৰৰ আকাৰ **৬৬.৪** বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

২০২১ চনত বিশ্বায়নিক যোগ পৰ্যটন বজাৰৰ আনুমানিক মূল্য আছিল **১৫৬.১১** বিলিয়ন আমেৰিকান ডলাৰ।

www.grandviewresearch.com-ত প্ৰকাশিত এক গৱেষণা অধ্যয়ন অনুসৰি, ২০২২ চনৰ পৰা ২০৩০ চনলৈকে বিশ্বায়নিক যোগ পৰ্যটন বজাৰত বাৰ্ষিক **৫.৮%** হাৰত বৃদ্ধিৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে।





সিন্ধু-সৰস্বতী উপত্যকা সভ্যতাৰ অৱশেষ আৰু মোহৰসমূহত যোগাভ্যাসত লিপ্ত লোকৰ চিত্ৰ অংকিত দেখা যায়, যিবোৰে ভাৰতত যোগৰ উপস্থিতিৰ ঐতিহাসিক প্ৰমাণ বহন কৰে।

ৰাষ্ট্ৰীয় সমীক্ষা অনুসৰি, ভাৰতৰ **২.৫** কোটি পৰিয়ালত অন্ততঃ এজন সদস্যই দৈনিক যোগাভ্যাস কৰে।



যোগৰ বিশ্ব জনপ্ৰিয়তাৰ প্ৰভাৱত, বিগত এটা দশকত আন্তঃৰাষ্ট্ৰীয় যোগ বজাৰে পাঁচগুণ বৃদ্ধি লাভ কৰিছে।

## যোগৰ বিস্তৃত পদচিহ্ন

**৬**

লাখতকৈ অধিক যোগ স্বেচ্ছাসেৱকক মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানে প্ৰশিক্ষণ প্ৰদান কৰিছে।

**৭**

লাখতকৈ অধিক যোগ পেছাদাৰী আৰু স্বেচ্ছাসেৱকক যোগ প্ৰমাণীকৰণ পৰিষদৰ কাঠামোৰ অধীনত প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে।

**৭০** খনতকৈ অধিক মহাবিদ্যালয়ে ব্যাচেলৰ অৱ নেচাৰোপেথি এণ্ড য়োগিক ছাইন্সেছ (বিএনৱাইএছ) পাঠ্যক্ৰম আগবঢ়াই আছে।

**৫,০০০**

টাতকৈ অধিক যোগ প্ৰশিক্ষণ প্ৰতিষ্ঠান দেশজুৰি সক্ৰিয় আছে।

**১৯০**

খনতকৈ অধিক দেশত এতিয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়।

আকাংক্ষাৰ প্ৰতিফলন আৰু চৰকাৰে ইয়াৰ বিকাশৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰে। ২০১৪ চনৰ পূৰ্বেও বিদেশত বহুতে যোগাভ্যাস কৰিছিল; কিন্তু প্ৰধানমন্ত্ৰী মোদীৰ প্ৰেৰণাত ৰাষ্ট্ৰসংঘই ২১ জুনক “আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস” হিচাপে ঘোষণা কৰাৰ পিছত ই এক বিশ্বজোৰা উদযাপনলৈ ৰূপান্তৰিত হয়। আজি ই বিশ্বৰ সৰ্ববৃহৎ সাংস্কৃতিক উৎসৱসমূহৰ অন্যতম। ভাৰতত উদ্ভৱ হোৱা যোগ এনে এক শাস্ত্ৰ, যাৰ অনুশীলন যিকোনো ব্যক্তিয়ে সম্পূৰ্ণ বিনামূলীয়াকৈ কৰিব পাৰে। প্ৰথম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০১৫ চনৰ ২১ জুনত উদযাপন কৰা হৈছিল। যোগৰ বৈশিষ্ট্য আৰু উপকাৰিতাসমূহ বিশ্বমঞ্চত শক্তিশালীভাৱে উপস্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াক বিশ্বজোৰা স্বীকৃতি লাভ কৰোৱাত সফল হৈছিল। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ব্যাপক প্ৰসাৰে প্ৰতিজন নাগৰিকৰ মনত এই উপলব্ধি জগাই তুলিছে যে সুস্বাস্থ্য বৰ্তাই ৰখাটো আমাৰ সকলোৰে বাবে অত্যন্ত প্ৰয়োজনীয়, কাৰণ তেতিয়াহে আমি ৰাষ্ট্ৰ নিৰ্মাণৰ সৈতে জড়িত প্ৰতিটো প্ৰক্ৰিয়া আৰু কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰিম। উন্নত স্বাস্থ্যসেৱাই মানুহৰ আয়ুস বৃদ্ধি কৰিছে আৰু তাৰ ফলত ভাৰতৰ বিকাশৰ গতি অধিক ত্বৰান্বিত হৈছে-এই কথাত খুব কম লোকেই দ্বিমত পোষণ কৰিব। এই বৰ্ধিত কাৰ্যক্ষমতাই শেষত কৰ্মযোগৰ ৰূপ গ্ৰহণ কৰিছে। এখন দেশৰ অৰ্থনৈতিক শক্তি আৰু সুস্থ জীৱনশৈলীৰ মাজৰ সম্পৰ্ক কিমান গভীৰ, সেয়া এই তথ্যৰ পৰাই অনুমান কৰিব পাৰি যে গড় আয়ুস মাত্ৰ এবছৰ বৃদ্ধি পালেও দেশৰ জিডিপি প্ৰায় ৪ শতাংশ বৃদ্ধি পাব পাৰে। ●





৫১,০০০তকৈ অধিক নিযুক্তিপত্ৰ বিতৰণ

# যুৱশক্তিৰ অগ্ৰগতি

## বিকশিত ভাৰতৰ শক্তিশালী ভেটি

ভাৰতৰ যুৱসকলক নতুন নতুন সুযোগ প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে ৰোজগাৰ মেলা। বৰ্তমানলৈকে দেশজুৰি ১৯খন ৰোজগাৰ মেলা আয়োজন কৰা হৈছে, য'ত ১২ লাখতকৈ অধিক নিযুক্তিপত্ৰ যুৱ প্ৰত্যাশীসকলৰ হাতত অৰ্পণ কৰা হৈছে। ২৩ মে' তাৰিখে দেশৰ ৪৭টা স্থানত একেলগে আয়োজিত ১৯সংখ্যক ৰোজগাৰ মেলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰা ৫১,০০০তকৈ অধিক যুৱ প্ৰত্যাশীৰ হাতত নিযুক্তিপত্ৰ বিতৰণ কৰে...

বিকশিত ভাৰতৰ যাত্ৰাক আগুৱাই নিয়াত ভাৰতৰ যুৱশক্তিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। আজি প্ৰতিজন ভাৰতীয়ই এক মহান সংকল্প লৈ আগবাঢ়িছে-২০৪৭ চনৰ ভিতৰত এক বিকশিত ভাৰত গঢ়ি তোলাৰ সংকল্প। ৰোজগাৰ মেলাত নিযুক্তিপত্ৰ বিতৰণ কৰাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ চৰকাৰী আৰু বেচৰকাৰী খণ্ডই একেলগে বিভিন্ন অভিযান আৰু উদ্যোগত ব্যাপক বিনিয়োগ কৰি আছে। এই বিনিয়োগসমূহে দেশৰ যুৱসকলৰ বাবে দেশৰ ভিতৰতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিছে, যাৰ ফলত তেওঁলোকে নিজৰ সপোন পূৰণ কৰাৰ পথ সুগম হৈছে। নিযুক্তিপত্ৰ লাভ কৰাৰ লগে লগে আপোনালোকে চৰকাৰী কৰ্মচাৰী হিচাপে নতুন দায়িত্ব গ্ৰহণ কৰিছে। সেয়েহে, দেশৰ বাবে 'ইজ অৱ ডুইং বিজনেছ'ৰ গুৰুত্ব সদায় মনত ৰাখিব লাগিব।

আজি ভাৰতৰ যুৱসকলৰ হাতত আগবাঢ়ি যোৱাৰ আৰু নিজৰ সপোন বাস্তৱায়িত কৰাৰ এনে বহু সুযোগ আছে, যিবোৰ আগতে উপলব্ধ নাছিল। উৎপাদন, প্ৰযুক্তি, ষ্টাৰ্টআপ, ডিজিটেল সেৱা, ৰে'ল,

> আজি ভাৰতৰ যুৱসকলে সমগ্ৰ বিশ্বৰ প্ৰতিটো ক্ষেত্ৰতে নিজৰ প্ৰতিভাৰ ছাপ এৰিছে। এই একেই উদ্যম-এই একেই শক্তি-জনসেৱাৰ ক্ষেত্ৰতো প্ৰতিফলিত হ'ব লাগিব। এনে যুৱসকলৰ প্ৰচেষ্টাৰ দ্বাৰাই এক 'বিকশিত ভাৰত' গঢ়ি উঠিব-যিসকলে নিজৰ কৰ্মক দেশসেৱাৰ এক মাধ্যম হিচাপে গণ্য কৰে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

প্ৰতিৰক্ষা আৰু মহাকাশ আদি অসংখ্য খণ্ডত দেশৰ যুৱসকলৰ বাবে অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি হৈ আছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ়তাৰে কয় যে চৰকাৰৰ প্ৰচেষ্টা হৈছে অধিক সংখ্যক যুৱক-যুৱতীয়ে যাতে এই নতুন সুযোগসমূহৰ সম্পূৰ্ণ সুবিধা লাভ কৰে আৰু নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ বাবে সম্ভৱপৰ

## নিযুক্ত কৰ্মচাৰীয়ে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত সেৱা আগবঢ়াব

১৯সংখ্যক ৰোজগাৰ মেলাত নিযুক্তিপত্ৰ লাভ কৰা দেশৰ বিভিন্ন প্ৰান্তৰ নৱনিযুক্ত প্ৰাৰ্থীসকলে এতিয়া কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত দায়িত্ব গ্ৰহণ কৰিব। ইয়াৰ ভিতৰত ৰে'ল মন্ত্ৰালয়, গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, বিত্তীয় সেৱা বিভাগ, উচ্চ শিক্ষা বিভাগ আদি অন্তৰ্ভুক্ত।

## যুৱসকলক নতুন সুযোগ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতি

- ভাৰত চৰকাৰ আৰু সহযোগী ৰাজ্য চৰকাৰসমূহৰ দ্বাৰা কৰ্মসংস্থাপনৰ বাবে লাখ লাখ নিযুক্তিপত্ৰ বিতৰণ।
- মহিলা, বিশেষভাৱে সক্ষম ব্যক্তি আৰু আকাংক্ষিত জিলাসমূহৰ প্ৰাৰ্থীৰ বাবে বিশেষ সুবিধাৰ ব্যৱস্থা।
- ইউপিএছচি, এছএছচি, ৰে'লৱে ৰিক্ৰুইটমেণ্ট ব'ৰ্ড (আৰআৰবি) আৰু আইবিপিএছ আদি সন্মানীয় পৰীক্ষাৰ জৰিয়তে নিযুক্তি প্ৰদান।
- সমান সুযোগ নিশ্চিত কৰাৰ লক্ষ্যৰে ১৩টা আঞ্চলিক ভাষাত নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ ব্যৱস্থা।
- আইগ'ট-কৰ্মযোগী প'ৰ্টেলত উপলব্ধ ৪,৮০০টাতকৈ অধিক উচ্চমানৰ ই-শিক্ষণ পাঠ্যক্ৰমৰ জৰিয়তে ১.৬৫ কোটিতকৈ অধিক কৰ্মচাৰীয়ে প্ৰশিক্ষণ লাভ কৰি আছে।
- স্বচ্ছ আৰু যোগ্যতাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াই যুৱসকলৰ সপোনক নতুন ডেউকা প্ৰদান কৰিছে।

*প্ৰধানমন্ত্ৰীৰ অনুষ্ঠান চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

সকলো সুযোগ পায়। ফলস্বৰূপে, দক্ষতা বিকাশ, উদ্যোগ-সমন্বিত শিক্ষা আৰু ভৱিষ্যৎমুখী প্ৰযুক্তিৰ ওপৰত ধাৰাবাহিকভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ (আইটিআই) আধুনিকীকৰণ কৰা হৈছে আৰু ৰাষ্ট্ৰীয় দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰা হৈছে। 'পিএম সেতু'ৰ দৰে পদক্ষেপসমূহেও এই দিশত সক্ৰিয়ভাৱে কাম কৰি আছে।

### ভাৰতীয় জনসাধাৰণৰ আকাংক্ষা বৃদ্ধি পাইছে

আজি ভাৰতৰ জনসাধাৰণৰ আকাংক্ষা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ই উন্নয়নৰ এক ইতিবাচক সূচক। অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমি কেৱল আমাৰ নাগৰিকসকলৰ আকাংক্ষাক বুজি ল'লেই নহ'ব, সেইবোৰ পূৰণ কৰিবলৈ সমান গতিবেগ আৰু

## ৰোজগাৰ মেলাই যুৱসকলক চৰকাৰী চাকৰিৰ সুযোগ প্ৰদান কৰিছে




তীব্ৰতাৰে কামো কৰিব লাগিব। এই প্ৰসংগত জনসেৱাত নতুনকৈ যোগদান কৰা যুৱ প্ৰাৰ্থীসকলৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে যুৱসকলক নিৰন্তৰ শিক্ষাগ্ৰহণত নিয়োজিত থাকিবলৈ আৰু নতুন প্ৰযুক্তি, নতুন ব্যৱস্থা তথা ক্ৰমবিকাশমান প্ৰয়োজনীয়তাৰ সৈতে নিজকে সদায় খাপ খুৱাই ল'বলৈ আহ্বান জনায়। এই ক্ষেত্ৰত আইগ'ট-কৰ্মযোগী মঞ্চই আপোনালোকক যথেষ্ট সহায় কৰিব। 'কৰ্মযোগী প্ৰাৰম্ভ'ৰ দৰে মডিউলসমূহ আপোনালোকৰ দায়িত্বসমূহ বুজি পোৱাত বিশেষভাৱে সহায়ক হ'ব। এই সকলো সুবিধাৰ সৰ্বাধিক সদ্ব্যৱহাৰ কৰিবলৈও তেওঁ আহ্বান জনায়।

কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত

# খাদ্য সুৰক্ষা আৰু স্বচ্ছ পৰিবহণৰ বাবে নতুন উদ্যোগ

*কেন্দ্ৰীয় চৰকাৰে প্ৰযুক্তিৰ সহায় লৈ দৰিদ্ৰ লোকৰ বাবে কল্যাণমূলক আঁচনিসমূহ অধিক স্বচ্ছ আৰু কাৰ্যক্ষম কৰি তুলিছে। এই লক্ষ্যক আগুৱাই নিয়াৰ বাবে কেন্দ্ৰীয় কেবিনেটে SARTHEK-PDS আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ বাবে ২৫,৫৩০ কোটি টকাৰ পুঁজিলৈ অনুমোদন জনাইছে। হিতাধিকাৰীৰ এআই-সক্ষম পঞ্জীয়ন, জিপিএছ ট্ৰেকিং, আৰু কিউআৰ ক'ড টেগিং–ৰাজসাহায্যযুক্ত খাদ্য শস্য আৰু অন্যান্য কল্যাণমূলক প্ৰাপ্তিকে ধৰি উচ্চ প্ৰযুক্তিৰ ব্যৱস্থাৰ জৰিয়তে ১০০% হাৰত সুবিধাসমূহ পোনপটীয়াকৈ দৰিদ্ৰ লোকসকলক প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও আন্তঃগাঁথনি সম্পৰ্কীয় পদক্ষেপৰ সমান্তৰালভাৱে দিল্লী-এনচিআৰ অঞ্চলৰ ভিতৰত পুৰণি ট্ৰাক আৰু বাছসমূহ সলনি কৰাৰ আঁচনিকে ধৰি আন কেবাটাও প্ৰস্তাৱলৈ অনুমোদন প্ৰদান কৰা হয়।*



*Scan the QR code to watch the press briefing on the Cabinet's decision.*

**সিদ্ধান্ত ঃ** দিল্লী-এনচিআৰত থকা পুৰণি ট্ৰাক আৰু বাছসমূহ বিএছ-ভিআই কমপ্লাইয়েণ্ট বা ইলেক্ট্ৰিনিক বাহনেৰে সলনি কৰা হ'ব; আঁচনিলৈ অনুমোদন জনোৱা হৈছে।

**প্ৰভাৱ ঃ** দিল্লী-এনচিআৰ অঞ্চলৰ প্ৰায় ১৯১,০০০ ট্ৰাক আৰু ১৬,৩২৯খন বাছ এই প্ৰতিষ্ঠাপন আঁচনিৰ দ্বাৰা উপকৃত হ'ব। এই পদক্ষেপে অঞ্চলটোৰ বায়ু প্ৰদূষণ হ্ৰাস কৰাৰ দিশত যথেষ্ট অৰিহণা যোগাব বুলি আশা কৰা হৈছে। ইয়াৰ ফলত পৰিৱেশ অনুকূল পৰিবহণ পৰিতন্ত্ৰই পোষকতা লাভ কৰিব আৰু অঞ্চলটোৰ বায়ুৰ সামগ্ৰিক গুণাগুণ উন্নত হ'ব।

**সিদ্ধান্ত ঃ** ওড়িশাত ৰামেশ্বৰৰ পৰা পাৰাদ্বীপ (মুঠ ১৬০.১৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৃহত্তৰ উপকূলীয় ঘাইপথ প্ৰকল্পৰ অংশ হিচাপে গঠন কৰা, দুটা পেকেজত নিৰ্মাণ কৰা)লৈকে বিস্তৃত নতুন উপকূলীয় ঘাইপথ নিৰ্মাণৰ বাবে অনুমোদন প্ৰদান কৰা হৈছে, হাইব্ৰিড এনুইটি মোডৰ অধীনত।

**প্ৰভাৱ ঃ** এই অংশৰ মুঠ দৈৰ্ঘ্য হৈছে ১৬০.১৮ কিলোমিটাৰ। এই প্ৰকল্পৰ বাবে ৮,৩০০.৭৯ কোটি টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। এই প্ৰকল্পসমূহ পি এম গতি শক্তিৰ নীতিৰ সৈতে সংগতিপূৰ্ণ আৰু ই ৯টা অৰ্থনৈতিক ন'ড আৰু ৫টা লজিষ্টিক ন'ডক আন্তঃসংযোজিত কৰিব। ইয়াৰ ফলত দেশৰ লজিষ্টিক পাৰফৰমেন্স ইনডেক্স (এল পি আই)-ত ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে।

- প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পিছত ৰামেশ্বৰ আৰু পাৰাদ্বীপৰ মাজত যাত্ৰাৰ সময় প্ৰায় ২ ঘণ্টা ৩০ মিনিট হ্ৰাস পাব বুলি আশা কৰা হৈছে। ই যাত্ৰী আৰু মাল-বস্তু সৰবৰাহ উভয়ৰে বাবে নিৰাপদ, দ্ৰুত আৰু নীৰৱচ্ছিন্ন সংযোগ নিশ্চিত কৰিব। তদুপৰি এই প্ৰকল্পৰ ফলত ইন্ধনৰ ব্যৱহাৰ, কাৰ্বন নিৰ্গমন, আৰু বাহন পৰিচালনাৰ খৰচ হ্ৰাস পাব।

**সিদ্ধান্ত ঃ** বিহাৰৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ২৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ খগড়িয়া-পূৰ্ণিয়া অংশ (১৪৩.৫২৯ কিলোমিটাৰ) বিঅ'টি (টোল) মোডৰ অধীনত ৪ লেন মানকলৈ উন্নীত কৰাৰ বাবে অনুমোদন প্ৰদান কৰা হৈছে, যাৰ ব্যয় হ'ব ৩,৯৩৬.০৫ কোটি টকা।

**প্ৰভাৱ ঃ** ইয়াৰ দ্বাৰা খগড়িয়া, ভাগলপুৰ, কাটিহাৰ, আৰু পূৰ্ণিয়া জিলাৰ চহৰ অঞ্চলত বৰ্তমানৰ গুৰুতৰ জ্যামিতিক বিসংগতি, তীব্ৰ বক্ৰতা, আৰু যানজঁটৰ সমস্যা সমাধান হ'ব। এই প্ৰকল্পৰ বাবে পূৰ্ণিয়া চহৰৰ বাবে প্ৰায় ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা বৰ্ধিত গ্ৰীণফিল্ড বাইপাছৰ উন্নয়নো জড়িত হৈ আছে। এই প্ৰকল্পই গড়

**সিদ্ধান্ত ঃ** ৰেচন পৰিবহণ, পৰিচালনা, আৰু পিডিএছ অটোমেশ্যন সহাযোগিতা আঁচনি (সাৰ্থক-পিডিএছ)ক এক সংহত ছত্ৰ আঁচনি হিচাপে অব্যাহত ৰখাৰ বাবে অনুমোদন।

**প্ৰভাৱ ঃ**

- ৰেচন পৰিবহণত সহাযোগিতা আঁচনি আৰু স্মাৰ্ট ৰাজহুৱা বিতৰণ প্ৰণালী (পিডিএছ) আঁচনিসমূহ একত্ৰিত কৰি ইয়াক 'সাৰ্থক-পিডিএছ' বুলি নামকৰণৰ দিহা কৰা হৈছে।.
- ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে খাদ্য দ্ৰব্যৰ আভ্যন্তৰীণ সৰবৰাহ আৰু পৰিচালনাত কৰা ব্যয়ৰ দিশত কেন্দ্ৰীয় সাহায্যৰ বাবে নীতিসমূহ পুনৰীক্ষণ কৰা।
- এফ পি এছ ডীলাৰসকলৰ বাবে বৰ্তমানৰ কেন্দ্ৰীয় আৰ্থিক সাহায্য আৰু প্ৰান্তীয় সহযোগিতা অব্যাহত ৰখা হ'ব।
- অধিক ফলপ্ৰসু, স্বচ্ছ, আৰু প্ৰযুক্তি-চালিত পিডিএছ বিতৰণ ব্যৱস্থাত বিশেষ গুৰুত্ব দিয়া হ'ব।
- এন এফ এছ এ-ৰ ফলপ্ৰসূ ৰূপায়ণ শক্তিশালী কৰিবলৈ এক সংহত আৰু আন্তঃকাৰ্যকৰী পিডিএছ কাঠামো প্ৰস্তুত কৰা হ'ব।
- পিডিএছ কাৰ্যকলাপৰ আধুনিকীকৰণৰ বাবে এআই, এমএল, এনএলপি, আৰু ব্লকচেইন প্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব।
- এটা বাস্তৱ সময়ৰ নিৰীক্ষণ আৰু এআই-ভিত্তিক অভিযোগ নিৰাময় ব্যৱস্থা বিকশিত কৰা হ'ব।



যোড়শ বিত্ত আয়োগ-ৰ সময়ছোৱাত কেন্দ্ৰীয় ব্যয়ৰ বাবে **২৫,৫৩০** কোটি টকাৰ পুঁজিলৈ অনুমোদন জনোৱা হৈছে।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন-ৰ অধীনত **৮১.৩৫** কোটি হিতাধিকাৰী লাভৱান হ'ব, যাৰ ফলত দেশৰ খাদ্য সুৰক্ষাৰ কাঠামো শক্তিশালী হ'ব।

*২০৩১ চনৰ ৩১ মাৰ্চলৈকে কাৰ্যকৰী হ'ব এই আঁচনি*

- ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত আধাৰ বীজ সিঞ্চন, ই-পিঅ'এছ স্বয়ংক্ৰিয়কৰণ, আৰু কম্পিউটাৰ সঞ্চালিত যোগান শৃংখল ব্যৱস্থাপনা সম্প্ৰসাৰিত কৰা হ'ব।

যাত্ৰাৰ গতি বৃদ্ধি কৰাই নহয়, যাত্ৰাৰ সময়ো প্ৰায় দুঘণ্টা হ্ৰাস কৰিব। ইয়াৰ ফলত পথ সুৰক্ষা, ইন্ধন কাৰ্যক্ষমতা বৃদ্ধি পোৱাৰ লগতে বাহন চলোৱাৰ খৰচ হ্ৰাস পাব।

**সিদ্ধান্ত ঃ** ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় উভয় বিমানৰ বাবে বিমান টাৰ্বাইন ইন্ধন (এ টি এফ)ৰ মূল্যত সুস্থিৰতা বৰ্তাই ৰখাত নিৰ্ধাৰিত ভাৰতীয় বিমান সংস্থাসমূহক সহায় কৰিবলৈ তেল বিপণন কোম্পানীসমূহক বাজেট সহযোগিতাৰ বাবে ১০,০০০ কোটি টকা পৰ্যন্ত অনুমোদন প্ৰদান কৰা হৈছে।

**প্ৰভাৱ ঃ** এই বাজেটৰ সহায় অ'এমচিসমূহক সুতমুক্ত অগ্ৰিম ধনৰ ৰূপত প্ৰদান কৰা হ'ব, যিটো পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ অনুদানৰ চাহিদাৰ জৰিয়তে প্ৰেৰিত কৰা হ'ব। পশ্চিম এছিয়াৰ সংকটৰ বাবে ইন্ধনৰ মূল্যত অভুতপূৰ্ব অস্থিৰতা অব্যাহত আছে; এই সময়ছোৱাত এটিএফৰ সুস্থিৰ মূল্য নিশ্চিত কৰিবলৈ অ'এমচিসমূহলৈ এই সহায় আগবঢ়োৱা হৈছে।

**সিদ্ধান্ত ঃ** হাইব্ৰিড এনুইটী মডেল (এইচ এ এম)ৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথ (এন এইচ)-৬৩ৰ বৰ্তমানৰ আৰ্মুৰ-জগতিয়াল-মানচেৰিয়াল অংশ, আৰু বিল্ড-অপাৰেট-ট্ৰেন্সফাৰ (টোল) মোড-ৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথ (এন এইচ)-৫৬৩ৰ জগতিয়াল-কৰিমনগৰ অংশ, ৪-লেন মানকলৈ বহলোৱাৰ বাবে অনুমোদন প্ৰদান কৰা হৈছে।

**প্ৰভাৱ ঃ** এই অংশসমূহৰ মুঠ দৈৰ্ঘ্য ১৯০.৭৬ কিলোমিটাৰ। প্ৰকল্পটোৰ আনুমানিক ব্যয় হ'ব ৭,৫০০ কোটি টকা। সম্পূৰ্ণ হোৱাৰ পিছত যাত্ৰাৰ সময় কমি যাব। নিৰাপদ, দ্ৰুত, আৰু নীৰৱচ্ছিন্ন সংযোগ নিশ্চিত হ'ব। এই প্ৰকল্পৰ ফলত ইন্ধনৰ ব্যৱহাৰ, কাৰ্বন নিৰ্গমন, আৰু বাহন পৰিচালনাৰ খৰচো যথেষ্ট হ্ৰাস পাব।

**সিদ্ধান্ত ঃ** মধ্যপ্ৰদেশৰ এটা প্ৰকল্পৰ বাবে অনুমোদন প্ৰদান কৰা হৈছে, য'ত ৰাষ্ট্ৰীয় ঘাইপথ ৩৪৭বি-ৰ ১২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ হিৰাৰখেড়ি-ৰোশ্নি-আশাপুৰ-ৰুধি অংশক ২-লেন মানকলৈ উন্নীত কৰা আৰু প্ৰায় ১০৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দেশগাঁও-জুলুৱানিয়া অংশটো ৪-লেন মানকলৈ বহলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। 'হাইব্ৰিড এনুইটী মোড'ৰ অধীনত নিৰ্মাণৰ কাম হাতত লোৱা হ'ব।

**প্ৰভাৱ ঃ** এই প্ৰকল্পৰ বাবে ৪,৪১৫.৬০ কোটি টকা খৰচ হ'ব বুলি অনুমান কৰা হৈছে। ইয়াৰ ফলত গড় যাত্ৰাৰ গতি বৃদ্ধি পাব। সংযোগৰ উন্নতি হ'ব। পথ সুৰক্ষা, ইন্ধন কাৰ্যক্ষমতা, আৰু বাহন পৰিচালনাৰ খৰচৰ উন্নতি দেখা যাব। এই প্ৰকল্পই মধ্যপ্ৰদেশৰ মূল অৰ্থনৈতিক, সামাজিক, আৰু লজিষ্টিক কেন্দ্ৰসমূহক নীৰৱচ্ছিন্নভাৱে সংযোগ কৰিব।




পদ্ম বঁটা ২০২৬

# ৰাষ্ট্ৰৰ নায়কসকললৈ সন্মান

*ৰাষ্ট্ৰপতি ভৱনৰ গণতন্ত্ৰ মণ্ডপ পুনৰবাৰ ৰাষ্ট্ৰখনৰ অনন্য প্ৰতিভা, অসাধাৰণ সেৱা, আৰু অদম্য সাহসৰ উজ্জ্বলতাৰে জিলিকি উঠিল। ২৫ মে'ত অনুষ্ঠিত বৰ্ণাঢ্য অসামৰিক অলংকৰণ অনুষ্ঠান- প্ৰথমত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ২০২৬ বৰ্ষৰ বাবে নিৰ্বাচিত ১৩১ গৰাকী বিশিষ্ট ব্যক্তিৰ ৬৬ গৰাকীক– সন্মানীয় পদ্ম বিভূষণ, পদ্ম ভূষণ, আৰু পদ্মশ্ৰী সন্মানৰে সন্মানিত কৰে।*

প্ৰথম পৰ্যায়ৰ অনুষ্ঠানটোত ২টা পদ্ম বিভূষণ, ৬টা পদ্মভূষণ, আৰু ৫৮টা পদ্মশ্ৰী সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানটো কেৱল বঁটা বিতৰণী অনুষ্ঠানেই নাছিল; ই আছিল তৃণমূল পৰ্যায়ৰ নায়কসকলৰ নিষ্ঠা আৰু কৃতিত্বৰ উদযাপন, যিসকলে নিজৰ অক্লান্ত প্ৰচেষ্টাৰ জৰিয়তে ৰাষ্ট্ৰখনক ৰূপান্তৰিত কৰিছে। ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এই অনুষ্ঠানত শিল্প, সাহিত্য, সমাজ সেৱা, বিজ্ঞান, উদ্যোগ আদি ক্ষেত্ৰত নিজৰ অৱদানৰ জৰিয়তে দেশৰ প্ৰতিষ্ঠা বৃদ্ধি কৰা ভাৰতৰ পুত্ৰ-কন্যাসকলক সন্মান জনোৱা হয়। এয়া সেইসকল ব্যতিক্ৰমী ব্যক্তিত্বৰ কাহিনী, যিসকলে তেওঁলোকৰ যাত্ৰাৰে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰাপকসকলৰ তালিকাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষৰ আৰম্ভণিতে ২৫ জানুৱাৰীত ভাৰত চৰকাৰে ২০২৬ চনৰ বাবে ১৩১ গৰাকী পদ্ম বঁটা প্ৰাপকৰ নাম ঘোষণা কৰিছিল।



## পদ্ম বিভূষণ



### ধৰ্মেন্দ্ৰ সিং দেওল (মৰণোত্তৰ)

ভাৰতীয় চিনেমাৰ এগৰাকী কিংবদন্তি অভিনেতা আৰু প্ৰাক্তন সংসদ সদস্য হিচাপে তেওঁক হিন্দী চলচ্চিত্ৰ জগতৰ অন্যতম বহুমুখী আৰু সফল অভিনেতা হিচাপে গণ্য কৰা হয়। বলীউডৰ 'হি-মেন' অভিধাৰে জনপ্ৰিয় তেওঁ ছটা দশকৰো অধিক সময় ধৰি এক অত্যন্ত সফল পেছাদাৰিত্ব উপভোগ কৰিছিল। ৩০০ৰো অধিক ছবিত অভিনয় কৰি হিন্দী চিনেমাত সৰ্বাধিক হিট ছবি প্ৰদান কৰাৰ অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। কলাৰ প্ৰতি আজীৱন সমৰ্পণৰ বাবে তেওঁ অসংখ্য সন্মানীয় বঁটা আৰু সন্মান লাভ কৰে। বলীউডলৈ তেওঁৰ অপৰিসীম অৱদানৰ স্বীকৃতি স্বৰূপে ১৯৯৭ চনত তেওঁক ফিল্মফেয়াৰ জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হৈছিল। ২০১২ চনত তেওঁক দেশৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্মভূষণৰেও সন্মানিত কৰা হয়। চিনেমাৰ কৃতিত্বৰ বাহিৰেও তেওঁ ২০০৪ চনৰ পৰা ২০০৯ চনলৈ ৰাজস্থানৰ বিকানেৰক প্ৰতিনিধিত্ব কৰি সংসদৰ সদস্য (লোকসভা) হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৩৯ চনৰ ৮ ডিচেম্বৰত পঞ্জাবৰ নাছৰালীত জন্মগ্ৰহণ কৰিছিল ধৰ্মেন্দ্ৰই।



## পদ্মশ্ৰী

- বিশ্ববন্ধু (মৰণোত্তৰ)
- ভাৰত সিং ভাৰতী
- টাগা ৰাম ভীল
- হৰমনপ্ৰীত কৌৰ ভুল্লাৰ
- ৰতিলাল মোহনলাল বৰিসাগৰ
- কুমাৰ বসু
- জনাৰ্দন বাপুৰাও বোথে
- স্বামী ব্ৰহ্মদেৱ
- প্ৰসেনজিত চেটাৰ্জী
- দেৱকী আম্মা জী
- ড° ৰামচন্দ্ৰ গড়বোলে
- সুনীতা গড়বোলে
- টেচি গুবিন
- ডঃ এইচ ভি হাণ্ডে
- গফৰুদ্দিন মেৱতী যোগী
- মীৰ হাজী কাছাম
- ৰঘুবীৰ খেড়কাৰ
- আৰ কৃষ্ণন কিতনা (মৰণোত্তৰ)
- অধ্যাপক ড° লাৰ্চ-খ্ৰীষ্টান কোচ
- অধ্যাপক মমিদালা জগদেশ কুমাৰ
- প্ৰবীণ কুমাৰ
- কে বিজয় কুমাৰ
- শ্ৰীৰাং দেৱবা লাড়
- অংকেগৌড়া এম
- অধ্যাপক (ড°) সৰোজ মণ্ডল
- অধ্যাপক বুদ্ধ ৰশ্মি মণি
- নীলেশ বিনোদচন্দ্ৰ মাণ্ডেৱালা
- ড° মহেন্দ্ৰ কুমাৰ মিশ্ৰ
- তৃপ্তি মুখাৰ্জী



পদ্ম বিভূষণ



## ডঃ (শ্ৰীমতী) এন ৰাজম

সংগীতৰ ক্ষেত্ৰখনৰ অন্যতম উৎকৃষ্ট সংগীতজ্ঞ হোৱাৰ লগতে ভায়'লিনৰ এগৰাকী নিপুণ শিল্পী। তেওঁৰ আঙুলিকেইটিয়ে ভায়'লিনৰ তাঁৰবোৰ স্পৰ্শ কৰাৰ মুহূৰ্ততে এক মন্ত্ৰমুগ্ধকৰ পৰিৱেশৰ সৃষ্টি কৰে। ভায়'লিনত কণ্ঠশৈলী উপস্থাপনৰ পদ্ধতি- 'গায়কী অং' নামেৰে জনাজাত কৌশল এটাৰ পথ প্ৰদৰ্শক হিচাপে তেওঁ শাস্ত্ৰীয় সংগীতত বৈপ্লৱিক পৰিৱৰ্তন আনিছিল, যিয়ে তেওঁক 'ছিংগিং ভায়লিন' হিচাপে বিশ্বজোৰা প্ৰসিদ্ধি প্ৰদান কৰিছিল। ১৯৩৯ চনৰ ১৬ মাৰ্চত এৰ্নাকুলামৰ সংগীত পৰম্পৰাত নিমগ্ন এটি পৰিয়ালত জন্মগ্ৰহণ কৰা ডঃ ৰাজমে পিতৃ বিদ্বান এ নাৰায়ণ আয়াৰৰ পৰা প্ৰশিক্ষণ লাভ কৰি নিজৰ সংগীতৰ ভেটি সমৃদ্ধ কৰিছিল। এগৰাকী পৰিবেশক হিচাপে উল্লেখনীয় কেৰিয়াৰৰ উপৰিও ড° ৰাজমে প্ৰায় চাৰিটা দশক ধৰি বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অনুষদৰ অধ্যাপিকা হিচাপে সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। বিভাগটোৰ মুৰব্বী হিচাপে স্থলাভিষিক্ত হৈ পৰৱৰ্তী সময়ত অনুষদৰ ডীন হিচাপে কাৰ্যনিৰ্বাহ কৰে। ড° ৰাজমে সমগ্ৰ বিশ্বতে ব্যাপক পৰিসৰত অনুষ্ঠান পৰিৱেশন কৰি আমেৰিকা, কানাডা, ৰাছিয়া, ফ্ৰান্স, ইটালী, জাৰ্মানী, নেদাৰলেণ্ড, ছুইজাৰলেণ্ড, নিউজিলেণ্ড, অষ্ট্ৰেলিয়া, আৰু সমগ্ৰ ইউৰোপকে ধৰি বহু দেশৰ দৰ্শকক আকৰ্ষিত কৰিছিল। ড° ৰাজমক কেইবাটাও সন্মানীয় বঁটাৰে সন্মানিত কৰা হয়। হিন্দুস্তানী সংগীতলৈ আগবঢ়োৱা অসাধাৰণ অৱদানৰ বাবে তেওঁ ১৯৮৪ চনত পদ্মশ্ৰী, ২০০৪ চনত পদ্মভূষণ, ১৯৯০ চনত সংগীত নাটক অকাডেমী বঁটা লাভ কৰে।



পদ্ম ভূষণ



## শতৱধনী ড° আৰ গণেশ

'শতৱধনী' ড° আৰ গণেশ হৈছে ভাৰতৰ অনন্য ধ্ৰুপদী কলা 'অৱধান'-ৰ এগৰাকী বিশাৰদ, য'ত কলম আৰু কাগজৰ সহায় নোলোৱাকৈ, নিতান্তই আকস্মিকভাৱেই ৰচনা কৰা পদ্যৰে বিভিন্ন কাব্যিক প্ৰত্যাহ্বানৰ সমাধান কৰাৰ দক্ষতা প্ৰদৰ্শন কৰা হয়। ই সৃষ্টিশীলতা আৰু পাণ্ডিত্যক চৰম পৰ্যায়লৈ পৰীক্ষা কৰে আৰু পৰিবেশকৰ বহুকাৰ্য আৰু পাৰ্শ্বীয়ভাৱে চিন্তা কৰাৰ সামৰ্থ্যক প্ৰদৰ্শন কৰে। কানাড়া ভাষাত শিল্পৰূপটোক পুনৰুজ্জীৱিত কৰাৰ কৃতিত্ব লাভ কৰা শতৱধনীয়ে আজিলৈকে মূলতঃ কানাড়া আৰু সংস্কৃত ভাষাত ১৩০০ৰো অধিক 'অশতৱধন' আৰু ৫টা 'শতৱধন' পৰিৱেশন কৰিছে। তেওঁ শিল্পৰ সকলো ৰূপতে পৰিৱেশন কৰিছে, কেইবাটাও নতুন উপাদানৰ প্ৰৱৰ্তন কৰিছে আৰু এই প্ৰাচীন শিল্পৰূপটোক জীয়াই ৰাখিবলৈ নতুন প্ৰজন্মৰ যুৱ পৰিৱেশকক অনুপ্ৰাণিত কৰিছে। ১৯৬২ চনৰ ৪ ডিচেম্বৰত কৰ্ণাটকৰ কোলাৰত জন্মগ্ৰহণ কৰা ডঃ আৰ গণেশে মেকানিকেল ইঞ্জিনীয়াৰিঙত স্নাতক ডিগ্ৰী, সামগ্ৰী বিজ্ঞান আৰু ধাতুবিজ্ঞান আৰু সংস্কৃত উভয়তে স্নাতকোত্তৰ ডিগ্ৰী আৰু কানাড়া ভাষাত ডি.লিট. উপাধি লাভ কৰিছে। কবিতা, গদ্য, সাহিত্য, দৰ্শন আৰু ধ্ৰুপদী কলাৰ বিশেষজ্ঞ হোৱাৰ উপৰি ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে বিশেষ ব্যুৎপত্তি থকা ব্যক্তি তেওঁ। কানাড়া, সংস্কৃত, প্ৰাকৃত, পালি, তেলুগু, তামিল, হিন্দী, গ্ৰীক, লেটিন আৰু ইটালীয় ভাষা তেওঁ জনা ভাষাসমূহৰ অন্যতম।




## পদ্ম ভূষণ



### ভগত সিং কোশ্যাৰী

উত্তৰাখণ্ডত মৰমতে 'ভগত দা' বুলি পৰিচিত ভগত সিং কোশ্যাৰী একাধাৰে এগৰাকী বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, সাংবাদিক আৰু ৰাষ্ট্ৰবাদী নেতা। তেওঁ জন সেৱা আৰু সমাজৰ দৰিদ্ৰ তথা অনগ্ৰসৰ শ্ৰেণীৰ উত্থানৰ বাবে ওৰেটো জীৱন উৎসৰ্গা কৰিছিল। ১৯৪২ৰ ১৭ জুনত উত্তৰাখণ্ডৰ বাগেশ্বৰ জিলাৰ পালানধূৰা গাঁৱত জন্মগ্ৰহণ কৰা কোশ্যাৰীয়ে ১৯৬৪ত ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। তেওঁ এগৰাকী প্ৰবক্তা হিচাপে কেৰিয়াৰ আৰম্ভ কৰিছিল যদিও পৰৱৰ্তী সময়ত শিক্ষা আৰু সমাজ সেৱাৰ ক্ষেত্ৰত নিজকে সমৰ্পিত কৰিছিল। ১৯৯৭-ত তেওঁ উত্তৰ প্ৰদেশ বিধান পৰিষদৰ এগৰাকী সদস্য হৈ পৰিছিল। উত্তৰাখণ্ড ৰাজ্য প্ৰতিষ্ঠাৰ পিছত তেওঁ ৰাজ্যখনৰ প্ৰথমখন মন্ত্ৰীসভাত এগৰাকী কেবিনেট মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল আৰু পাছলৈ ইয়াৰ মুখ্যমন্ত্ৰী হৈ পৰিছিল। তেওঁ তদুপৰি ৰাজ্যসভা আৰু লোকসভা উভয়ৰে সাংসদ, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল আৰু গোৱাৰ ৰাজ্যপাল হিচাপে অতিৰিক্ত দায়িত্বও পালন কৰিছিল।




## পদ্মশ্ৰী

- হৰিমাধৱ মুখোপাধ্যায় (মৰণোত্তৰভাৱে)
- ডঃ এ.ই. মুথুনয়াগম
- সত্যনাৰায়ণ নন্দলাল নুৱাল
- কে. পজানিবেল
- ধাৰ্মিকলাল চুনীলাল পাণ্ড্যা
- কৈলাস চন্দ্ৰ পন্ত
- গৰিমেল্লা বালাকৃষ্ণ প্ৰসাদ (মৰণোত্তৰভাৱে)
- অধ্যাপক (ডাঃ) ৰাজেন্দ্ৰ প্ৰসাদ
- ডাঃ গুডুৰু ভেংকট ৰাও
- দীপিকা ৰেড্ডী
- ডাঃ পালাকোণ্ডা বিজয় আনন্দ ৰেড্ডী
- হৰিচৰণ শইকীয়া
- অধ্যাপক ৰেম্পতী কুটুম্ব শাস্ত্ৰী
- অধ্যাপক ছফী শ্বাক
- বলদেৱ সিং
- যুমনাম যাত্ৰা সিং (মৰণোত্তৰভাৱে)
- ডঃ অশোক কুমাৰ সিং
- শিৱশংকৰী
- ডঃ আৰ. শ্ৰীধৰ
- অধ্যাপক শ্যাম সুন্দৰ
- ডঃ এছ. জি. সুশীলাম্মা
- এন. স্বামীনাথন
- ডাঃ কেৰল কৃষাণ থাকৰাল
- ডঃ গোপাল জী ত্ৰিবেদী (মৰণোত্তৰভাৱে)
- অৰবিন্দ বৈদ্য
- অধ্যাপক জুজেৰ বাশী
- ডঃ নাৰায়ণ ব্যাস
- হেলী ৱাৰ
- অধ্যাপক গম্বীৰ সিং য়ৌনজৌন




## পদ্ম ভূষণ





### উদয় সুৰেশ কুমাৰ কোটক

ভাৰতৰ অন্যতম আগশাৰীৰ বেংকাৰ আৰু বিত্তীয় সেৱা খণ্ডৰ আগৰণুৱা উদয় সুৰেশ কুমাৰ কোটকে ভাৰতৰ অন্যতম আগশাৰীৰ ব্যক্তিগত বেংক স্থাপনত এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ১৯৫৯-ৰ ১৫ মাৰ্চত জন্মগ্ৰহণ কৰা কোটকে ১৯৮৫-ত কোটক মহিন্দ্ৰা ফাইনেন্স লিমিটেড প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী সময়ত কোম্পানীটোৱে ইয়াৰ কাৰ্যকলাপৰ সম্প্ৰসাৰণেৰে বিনিয়োগ, বেংকিং, ষ্টক ব্ৰকিং, বীমা, কাৰ ফাইনেন্স আৰু মিউচুৱেল ফাণ্ডৰ দৰে সেৱাসমূহক সামৰি লয়। ২০০৩ৰ মাৰ্চত ই কোটক মহিন্দ্ৰা বেংকলৈ ৰূপান্তৰিত হৈ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা বেংকিং লাইচেন্স লাভ কৰা ভাৰতৰ প্ৰথমটো অনা-বেংকিং বিত্তীয় কোম্পানী (NBFC) হিচাপে পৰিগণিত হয়। তেওঁ বেংকটোৰ সম্প্ৰসাৰণত নেতৃত্ব প্ৰদানেৰে ২০১৪-ত আইএনজি ব্যাস বেংকৰ অধিগ্ৰহণেৰে ইয়াৰ স্থিতিক অধিক সুদৃঢ় কৰি তুলিছিল। তেওঁ ভাৰতৰ বেংকিং আৰু বিত্তীয় খণ্ডৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত অসামান্য অৱদান আগবঢ়াইছে। তেওঁ ইণ্ডো-ইউকে ফাইনেন্সিয়েল পাৰ্টনাৰশ্বিপৰ (IUKFP) উপাধ্যক্ষৰ সমান্তৰালকৈ ছিংগাপুৰ চৰকাৰৰ বিনিয়োগ নিগমৰ আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শদাতা পৰিষদৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহৰ দৰে একাধিক গুৰুত্বপূৰ্ণ সংস্থাত নেতৃত্ব প্ৰদান কৰিছে। তেওঁ ২০২৩-ৰ ডিচেম্বৰলৈকে মণিটেৰী অথৰিটি অৱ ছিংগাপুৰৰ আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শদাতা সমিতিত কাৰ্য্যনিৰ্বাহ কৰি কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীৰ (CII) অধ্যক্ষৰ দায়িত্বও পালন কৰিছিল।

### ডাঃ কাল্লিপট্টি ৰামস্বামী পলানিস্বামী

ডাঃ কাল্লিপট্টি ৰামস্বামী পলানিস্বামী হৈছে চাৰি দশকৰো অধিক সময়ৰ অভিজ্ঞতাৰে পুষ্ট এগৰাকী বিশিষ্ট গেষ্ট্ৰ'এণ্টেৰ'লজিষ্ট। ১৯৪৯-ৰ ১৫ মাৰ্চত তামিলনাডুৰ কাল্লিপট্টি গাঁৱৰ এটি কৃষিজীৱী পৰিয়ালত জন্মগ্ৰহণ কৰা ডাঃ পালানিস্বামীয়ে ১৯৭২-ত মহীশূৰ বিশ্ববিদ্যালয়ৰ পৰা এমবিবিএছ ডিগ্ৰী লাভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ১৯৮১ত মাদ্ৰাজ চিকিৎসা মহাবিদ্যালয়ৰ পৰা ডিএম (গেষ্ট্ৰ'এণ্টেৰ'লজি) ডিগ্ৰী লাভ কৰিছিল। ১৯৮৬ত তেওঁ ষ্টেনলী চিকিৎসা মহাবিদ্যালয়ত গেষ্ট্ৰ'এণ্টেৰ'লজি বিভাগ প্ৰতিষ্ঠা কৰিছিল। তেওঁ ২০০০ চনলৈকে বিভাগটোৰ মুৰব্বী আৰু অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি উত্তৰ চেন্নাইৰ অনগ্ৰসৰ লোকসকলৰ সেৱাত নিজকে উৎসৰ্গা কৰিছিল। তেওঁ বিশেষকৈ সমাজৰ দৰিদ্ৰ আৰু উপান্ত শ্ৰেণীৰ সেৱাত সমৰ্পিত হৈ পৰিছিল। তিনি দশকৰো অধিক সময় ধৰি তেওঁ চেন্নাইৰ ৰামকৃষ্ণ মঠ হাস্পতালত স্বেচ্ছামূলকভাৱে সেৱা আগবঢ়াইছিল। তেওঁ কাল্লিপট্টি গাঁৱত চিকিৎসা শিবিৰো আয়োজন কৰিছিল। ইয়াৰোপৰি তেওঁ গাঁওখনৰ অত্যাৱশ্যকীয় আন্তঃগাঁথনিৰ উন্নয়ন সাধন কাৰ্য্যতো বৰঙনি আগবঢ়াইছে যথাঃ দলং নিৰ্মাণ, বিদ্যুৎ উপ-কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নতুন ভৱন আৰু ভূগৰ্ভস্থ পানীৰ পুনৰ্ভৰণৰ বাবে চেক ডেম। চিকিৎসা ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙনিক স্বীকৃতি জনাই ২০০৭ত তেওঁলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছিল।




পদ্ম ভূষণ



## অধ্যাপক বিজয় কুমাৰ মালহোত্ৰা (মৰণোত্তৰভাৱে)

অধ্যাপক বিজয় কুমাৰ মালহোত্ৰা একাধাৰে এগৰাকী বিশিষ্ট ভাৰতীয় ৰাজনীতিক, শিক্ষাবিদ আৰু ক্ৰীড়া প্ৰশাসক আছিল। ১৯৩১-ৰ ৩ ডিচেম্বৰত লাহোৰত অধ্যাপক মালহোত্ৰাই জন্মগ্ৰহণ কৰিছিল। তেওঁৰ উচ্চ শিক্ষা গ্ৰহণৰ বিষয় আছিল হিন্দী সাহিত্য আৰু তেওঁ কবি সোহনলাল দ্বিবেদী সন্দৰ্ভত গৱেষণা কৰি পিএইচডি লাভ কৰিছিল। তেওঁ দিল্লীৰ পিজিডিএভি কলেজত প্ৰায় ৩৬ বছৰে অধ্যাপনা কৰিছিল। তেওঁ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (RSS) তথা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ (ABVP) সৈতে জড়িত হৈ পৰিছিল আৰু ইয়াৰ জৰিয়তেই তেওঁ ৰাজনীতিৰ পথাৰখনত সক্ৰিয় হৈ উঠিছিল। ১৯৬৭-ত মাথোঁ ৩৫ বছৰ বয়সতে তেওঁ দিল্লীৰ সৰ্বকনিষ্ঠ মুখ্য কাৰ্য্যবাহী পাৰিষদ হিচাপে অধিষ্ঠিত হৈছিল। তেওঁ পাঁচবাৰকৈ সাংসদ হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ সমান্তৰালকৈ দুবাৰকৈ বিধায়ক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৯৯-ত তেওঁ এক নিৰ্বাচনত প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙক পৰাস্ত কৰিছিল। ক্ৰীড়া প্ৰশাসনৰ ক্ষেত্ৰত তেওঁ আগবঢ়োৱা বৰঙণিও অতিশয় উল্লেখযোগ্য। তেওঁ আৰ্চাৰী এচ'চিয়েচন অৱ ইণ্ডিয়াৰ অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল আৰু এই ক্ৰীড়াই আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভত সহায় কৰিছিল। গৃহ নিৰ্মাণ, শিক্ষা, ক্ৰীড়া আৰু বস্তি পুনৰ্বাসনৰ ক্ষেত্ৰত তেওঁ আগবঢ়াই থৈ যোৱা বৰঙণিয়ে দিল্লীৰ উন্নয়নত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। ২০২৫ৰ ৩০ ছেপ্টেম্বৰত তেওঁৰ দেহাৱসান ঘটে।



## পীয়ুষ পাণ্ডে (মৰণোত্তৰভাৱে)

পীয়ুষ পাণ্ডেই বিজ্ঞাপন উদ্যোগত গভীৰ ৰূপান্তৰশীল প্ৰভাৱ বিস্তাৰ কৰিছিল। কেইবা দশক ধৰি তেওঁ ভাৰতীয় বিজ্ঞাপন জগতৰ এগৰাকী মূল ব্যক্তি আছিল। তেওঁৰ প্ৰভাৱ কেৱল সৃষ্টিশীলতাই নহয়, বৰঞ্চ কৌশলগত দৃষ্টিভংগী, উদ্যোগ নেতৃত্ব আৰু সাংস্কৃতিক সূক্ষ্ম বিষয়সমূহৰ গভীৰ বুজাবুজিলৈকে বিস্তৃত আছিল। ১৯৫৫-ৰ ৫ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা পাণ্ডেই তেওঁৰ সমগ্ৰ কেৰিয়াৰত একাধিক আগশাৰীৰ বিজ্ঞাপন কোম্পানীৰ নেতৃত্ব বহন কৰিছিল। প'লিঅ' নিৰ্মূলৰ বাবে 'জীৱনৰ বাবে মাত্ৰ দুটোপাল' আৰু 'মিলে সুৰ মেৰা তুম্‌হাৰা'ৰ দৰে কেম্পেইনসমূহ কেৱল বিজ্ঞাপনেই নহয়; বৰঞ্চ সাংস্কৃতিক আহ্বান হিচাপে পৰিগণিত হৈছিল। তেওঁৰ সৃষ্টিশীল দক্ষতাই ভাৰতীয় বিজ্ঞাপন উদ্যোগক এক অনন্য পৰিচয় প্ৰদান কৰিছিল। তেওঁ ২০১৬-ত পদ্ম শ্ৰী সন্মান লাভ কৰিছিল। ২০২৫-ৰ ২৪ অক্টোবৰত তেওঁৰ দেহাৱসান ঘটে। তেওঁৰ কৰ্মৰাজি আৰু দৃষ্টিভংগীয়ে ভৱিষ্যৎ প্ৰজন্মসমূহক অনুপ্ৰাণিত কৰি যাব। তেওঁ ভাৰতীয় বিজ্ঞাপন জগতৰ এগৰাকী প্ৰকৃত অগ্ৰদূত হিচাপে চিৰস্মৰণীয় হৈ থাকিব। তেওঁ একেলেথাৰিয়ে ১৪ বছৰ ধৰি আগশাৰীৰ বিজনেছ ডেইলী দ্য ইকনমিক টাইমছৰ ভাৰতৰ সৰ্বাধিক প্ৰভাৱশালী এডভাৰ্টাইজিং মেনৰ খিতাপ লাভ কৰিছিল। তেওঁ ৮০০-ৰো অধিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। তেওঁ বিজ্ঞাপন জগতখনৰ সৰ্বাধিক পুৰস্কৃত হোৱা ভাৰতীয় আছিল।



প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।

# ইউৰোপৰ পৰা গল্‌ফলৈ ঃ
# ভাৰতৰ ক্ৰমবৰ্ধমান বিশ্ব প্ৰভাৱৰ প্ৰদৰ্শন

বিশ্ব মঞ্চত ভাৰতৰ সম্প্ৰসাৰিত ভূমিকা আৰু ভূ-ৰাজনৈতিক গতি-বিধিৰ পৰিৱৰ্তনৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইউনাইটেড আৰৱ এমিৰেটছ, নেদাৰলেণ্ড, ছুইডেন, নৰৱে আৰু ইটালী ভ্ৰমণ কাৰ্য্য ভাৰতৰ নতুন বিশ্ব কৌশলৰ এক শক্তিশালী প্ৰদৰ্শন হিচাপে পৰিগণিত হয়। শক্তি সুৰক্ষা আৰু সেউজ প্ৰযুক্তিৰ পৰা আৰম্ভ কৰি প্ৰতিৰক্ষা সহযোগিতা, বিনিয়োগ, উদ্ভাৱন আৰু কৌশলগত অংশীদাৰিত্বলৈ ক্ষেত্ৰসমূহক সামৰি উক্ত ভ্ৰমণে ভাৰতৰ বৈচিত্ৰ্যময় ৰাষ্ট্ৰীয় স্বাৰ্থৰাজিক নতুন গতি প্ৰদান কৰে। বিশ্বখন শক্তিৰ এক নতুন সন্তুলনৰ অভিমুখে অগ্ৰসৰ হোৱা আৰু ভাৰতে নিজকে এক নিৰ্ভৰযোগ্য, নিৰ্ণায়ক আৰু উন্নয়নমুখী বিশ্ব অংশীদাৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ সময়তে এই ভ্ৰমণ সম্পন্ন হয়।

চাৰি-ৰাষ্ট্ৰ ভ্ৰমণৰ সময়ছোৱাত (১৫ মে'ৰ পৰা ২০ মে'লৈ) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দ্বিপাক্ষিক আৰু বিশ্ব উভয় প্ৰসংগতে তেওঁৰ প্ৰতিপক্ষসকলৰ সৈতে বিস্তৃত আলোচনাত মিলিত হয়। বিৱৰ্তনশীল বিশ্ব বাতাবৰণৰ পটভূমিৰ বিপৰীতে সম্পন্ন হোৱা এনে উচ্চস্তৰীয় আলোচনা-বিলোচনাত ভাৰতৰ অৰ্থনৈতিক, কৌশলগত আৰু বিশ্ব স্বাৰ্থৰাজিয়ে এজেণ্ডাৰ মুখ্য স্থান লাভ কৰে। উক্ত বৈঠকত শক্তি সুৰক্ষা, সেউজ বিকাশ, প্ৰতিৰক্ষা সহযোগিতা, প্ৰযুক্তিগত উদ্ভাৱন, ডিজিটেল অংশীদাৰিত্ব, জল ব্যৱস্থাপনা, বিনিয়োগ আৰু বাণিজ্যৰ সম্প্ৰসাৰণৰ দৰে বিষয়সমূহত বিস্তৃত আলোচনা কৰা হয়। ইয়াৰ সমান্তৰালভাৱে ইউএইৰ সৈতে আলোচনাৰ জৰিয়তে শক্তি আৰু বিনিয়োগ কেন্দ্ৰিক সম্পৰ্কই নতুন শক্তি লাভ কৰে। একেদৰে ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ সৈতে মত-বিনিময়ত ভাৰতে এক নিৰ্ভৰযোগ্য অংশীদাৰ হিচাপে ইয়াৰ ভূমিকা অধিক সুদৃঢ় কৰে। ইয়াৰোপৰি এই ভ্ৰমণে এখনি বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ অৱলোকনেৰে বিশ্ব ক্ৰমৰ

# ভাৰত আৰু ইউএই-ৰ সম্পৰ্ক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু সংযুক্ত আৰৱ আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি মহম্মদ বিন জায়েদ আল নাহিয়ান বিস্তৃত বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে ইউএইৰ ওপৰত হোৱা আক্ৰমণক গৰিহণা দিয়ে আৰু ভাৰতৰ ৰাষ্ট্ৰখনৰ সৈতে সংহতিৰে থিয় দিয়াৰ অংগীকাৰৰ কথা ব্যক্ত কৰে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ নেতৃত্ব আৰু জনসাধাৰণলৈ ভাৰতৰ সমৰ্থন আগবঢ়ায়। ভাৰতে হৰমুজ প্ৰণালীয়েদি সুৰক্ষিত সৰবৰাহ আৰু অবিচ্ছিন্ন সামুদ্ৰিক পথ অক্ষুণ্ণ ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৰতে ইয়াক আঞ্চলিক শান্তি তথা সুস্থিৰতা আৰু শক্তি তথা খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিশ্বাস কৰে। দুয়োগৰাকী নেতাই ভাৰত-ইউএই শক্তি অংশীদাৰিত্ব ক্ৰমশঃ সুদৃঢ় হৈ উঠাত সন্তোষ ব্যক্ত কৰে আৰু ইয়াৰ অগ্ৰগতি সাধনৰ অৰ্থে নতুন পদক্ষেপ গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰে। এনে প্ৰেক্ষাপটত ভাৰতীয় কৌশলগত পেট্ৰলিয়াম ৰিজাৰ্ভ লিমিটেড (ISPRL) আৰু আবু ধাবি ৰাষ্ট্ৰীয় তেল কোম্পানীৰ মাজত এখনি কৌশলগত সহযোগিতা চুক্তিকো আদৰণি জনোৱা হয়। এই চুক্তিৰ অধীনত ভাৰতৰ কৌশলগত পেট্ৰলিয়াম ৰিজাৰ্ভলৈ ইউএই-ৰ বৰঙনি ৩০ নিযুত বেৰেললৈ বৃদ্ধি পাব। ইয়াৰোপৰি উভয় দেশেই ভাৰতত কৌশলগত গেছ ৰিজাৰ্ভ স্থাপনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব। নেতাদ্বয়ে লগতে ভাৰতত ইউএই-স্থিত কোম্পানীসমূহৰ ৫ বিলিয়ন আমেৰিকান ডলাৰৰ বিনিয়োগৰ ঘোষণাক আদৰণি জনায়। ইয়াৰ ভিতৰত আছে আৰবিএল বেংকত আমিৰাত এনবিডিৰ ৩ বিলিয়ন আমেৰিকান ডলাৰৰ বিনিয়োগ, ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁথনি পুঁজিত (NIIF) আবু ধাবি বিনিয়োগ কৰ্তৃপক্ষৰ ১ বিলিয়ন আমেৰিকান ডলাৰৰ বিনিয়োগ তথা সন্মান কেপিটেলত আন্তঃৰাষ্ট্ৰীয় হ'ল্ডিং কোম্পানীৰ ১ বিলিয়ন আমেৰিকান ডলাৰৰ বিনিয়োগ।

আবেষ্টনীত ৰাষ্ট্ৰখনৰ ক্ৰমবৰ্ধমান ফলপ্ৰসূতা আৰু নেতৃত্ব প্ৰদানৰ সামৰ্থ্যত আলোকপাত কৰে।

## ভাৰত-ইটালী

ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলোনিৰ আমন্ত্ৰণক্ৰমে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী কাৰ্য্যসূচীৰে ইটালী ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্কক নতুন গতি প্ৰদান কৰে। দুয়োগৰাকী নেতাই ভাৰত-ইটালীৰ সম্পৰ্কক এক "বিশেষ কৌশলগত অংশীদাৰিত্ব"ৰ পৰ্য্যায়লৈ উন্নীতকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰোপৰি তেওঁলোকে ৰাজনৈতিক আলোচনা, অৰ্থনৈতিক সহযোগিতা আৰু বিনিয়োগ, সংযোগ, বিজ্ঞান, প্ৰযুক্তি, উদ্ভাৱন, ষ্টাৰ্টআপ, কৃত্ৰিম বুদ্ধিমত্তা, ছুপাৰ কম্পিউটিং, মহাকাশ, প্ৰতিৰক্ষা, সুৰক্ষা, সংস্কৃতি আৰু শৈক্ষিক বিনিময়ৰ দৰে ক্ষেত্ৰসমূহত সহযোগিতা স্থাপনৰ সংকল্প গ্ৰহণ কৰে। দুয়োগৰাকী নেতাই সাম্প্ৰতিক বিশ্ব বাস্তৱতাৰ সৈতে ৰাষ্ট্ৰসংঘক সংগতিপূৰ্ণ কৰি তুলিবলৈ ইয়াৰ জৰুৰী সংস্কাৰ সাধনাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। তদুপৰি তেওঁলোকে হৰমুজ প্ৰণালীয়েদি চলাচলৰ স্বাধীনতাৰ (freedom of navigation) পুনৰুদ্ধাৰ আৰু বিশ্ব যোগানৰ স্বাভাৱিক প্ৰৱাহৰ আহ্বান জনায়। নেতা দুগৰাকীয়ে ২০২৯ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য ২০ বিলিয়ন ইউৰোলৈ সম্প্ৰসাৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰে। তেওঁলোকে ২০২৭-ক "ইটালী আৰু ভাৰতৰ সংস্কৃতি আৰু পৰ্যটনৰ বৰ্ষ" হিচাপে উদযাপনৰ আগ্ৰহৰ কথা ব্যক্ত কৰে।

## ভাৰত-ডেনমাৰ্কৰ দ্বিপাক্ষিক সহযোগিতা

অচলোত অনুষ্ঠিত ৩য় ভাৰত-নৰ্ডীয় সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ডেনমাৰ্কৰ ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী মেট্টে ফ্ৰেডেৰিকচেন মিলিত হয়। ইয়াত নেতা দুগৰাকীয়ে দ্বিপাক্ষিক সহযোগিতাৰ



*প্ৰধানমন্ত্ৰীৰ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

## ৰয়েল নৰৱেইয়ান অৰ্ডাৰ অৱ মেৰিটেৰে সন্মানিত প্ৰধানমন্ত্ৰী মোদী



- অ'ছলোত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত নৰৱেৰ ৰজা পঞ্চম হেৰাল্ডে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক 'গ্ৰেণ্ড ক্ৰছ অৱ দ্য ৰয়েল নৰৱেইয়ান অৰ্ডাৰ অৱ মেৰিট' সন্মানেৰে সন্মানিত কৰে।
- বিদেশী ৰাষ্ট্ৰপ্ৰধানসকলক প্ৰদান কৰা এই বঁটা হৈছে নৰৱেৰ সৰ্বোচ্চ সন্মান। নৰৱে আৰু মানৱতাৰ স্বাৰ্থত আগবঢ়োৱা অসাধাৰণ সেৱাৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।
- ভাৰত আৰু নৰৱেৰ মাজৰ ঐতিহাসিক বন্ধুত্বৰ প্ৰতি এই সন্মান উছৰ্গা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াক দুয়োখন দেশৰ জনসাধাৰণৰ মাজত থকা অটুট আন্তৰিকতা, বিশ্বাস আৰু স্নেহৰ প্ৰতি এক শ্ৰদ্ধাঞ্জলি হিচাপে অভিহিত কৰে।

*প্ৰধানমন্ত্ৰীৰ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

পৰ্য্যালোচনা কৰে। অ'ছলোত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত নৰৱেৰ ৰজা পঞ্চম হেৰাল্ডে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক 'গ্ৰেণ্ড ক্ৰছ অৱ দ্য ৰয়েল নৰৱেইয়ান অৰ্ডাৰ অৱ মেৰিট' সন্মানেৰে সন্মানিত কৰে।

বিদেশী ৰাষ্ট্ৰপ্ৰধানসকলক প্ৰদান কৰা এই বঁটা হৈছে নৰৱেৰ সৰ্বোচ্চ সন্মান। নৰৱে আৰু মানৱতাৰ স্বাৰ্থত আগবঢ়োৱা অসাধাৰণ সেৱাৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।

ভাৰত আৰু নৰৱেৰ মাজৰ ঐতিহাসিক বন্ধুত্বৰ প্ৰতি এই সন্মান উছৰ্গা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াক দুয়োখন দেশৰ জনসাধাৰণৰ মাজত থকা অটুট আন্তৰিকতা, বিশ্বাস আৰু স্নেহৰ প্ৰতি এক শ্ৰদ্ধাঞ্জলি হিচাপে অভিহিত কৰে।

### ভাৰত-নৰৱেৰে দ্বিপাক্ষিক আলোচনা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অ'ছলোত নৰৱেৰ প্ৰধানমন্ত্ৰী য়ুনাছ গৰ স্টোৰৰ সৈতে এক দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত-নৰৱেৰ সম্পৰ্কৰ বিশদ পৰ্যালোচনা কৰে। দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ, অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি, শক্তিৰ ৰূপান্তৰ, সুনীল অৰ্থনীতি আৰু মহাসাগৰীয় প্ৰশাসন, গৱেষণা আৰু উচ্চ শিক্ষা, আৰ্কটিক আৰু মেৰু অঞ্চলৰ সহযোগিতা, মহাকাশ আৰু মেধাৰ গতিশীলতাৰ বিষয়েও আলোচনা কৰা হয়। বহনক্ষম উন্নয়ন আৰু সেউজ প্ৰগতিৰ প্ৰতি থকা উমৈহতীয়া দায়বদ্ধতা প্ৰতিফলিত কৰি দুয়োখন দেশে নিজৰ সম্পৰ্কক এক "সেউজ কৌশলগত অংশীদাৰিত্ব"লৈ উন্নীত কৰিবলৈ সন্মত হয়। দুয়োগৰাকী নেতাই ২০৩০ চনৰ ভিতৰত ভাৰত আৰু নৰৱেৰ মাজৰ বৰ্তমানৰ বাণিজ্যৰ পৰিমাণ দুগুণ কৰাৰ লক্ষ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু টিইপিএ (TEPA)-ৰ অধীনত ১০০ বিলিয়ন মাৰ্কিন ডলাৰৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি পূৰণ কৰাৰ লগতে ভাৰতত দহ লাখ (এক



### এগ্ৰিকোলা পদকেৰে সন্মানিত প্ৰধানমন্ত্ৰী মোদী

- ৰোমস্থিত ইয়াৰ মুখ্য কাৰ্যালয়ত ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাৰ (FAO) দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ২০২৬ বৰ্ষৰ সন্মানীয় এগ্ৰিকোলা পদকেৰে সন্মানিত কৰা হয়।
- ভাৰতৰ লগতে বিশ্ব দৰবাৰতো খাদ্য নিৰাপত্তা, বহনক্ষম কৃষি আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ অসাধাৰণ নেতৃত্বৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।
- প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মান ভাৰতীয় কৃষক আৰু ভাৰতীয় কৃষি বিজ্ঞানী সমাজলৈ উছৰ্গা কৰে।

*প্ৰধানমন্ত্ৰীৰ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*



*প্ৰধানমন্ত্ৰীৰ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

# ‘মেক ইন ইণ্ডিয়া’ৰ পৰা গোলকীয় অংশীদাৰিত্বলৈ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অ’ছলোত অনুষ্ঠিত ভাৰত-নৰৱে ব্যৱসায়িক আৰু গৱেষণা সন্মিলনত অংশগ্ৰহণ কৰে। এই সন্মিলনত ৫০ তকৈয়ো অধিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে নৰৱে আৰু ভাৰতৰ ব্যৱসায়িক আৰু গৱেষণা সমাজৰ ২৫০ গৰাকীৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এই ব্যৱসায়িক আৰু গৱেষণা সন্মিলনৰ পূৰ্বে অ’ছলোৰ বিভিন্ন স্থানত চাৰিখন ঘূৰণীয়া মেজমেলৰো আয়োজন কৰা হৈছিল। নৰৱেৰ বিনিয়োগকাৰীসকলক সুনীল অৰ্থনীতি, জাহাজ নিৰ্মাণ, সেউজ ৰূপান্তৰ, নৱীকৰণযোগ্য শক্তি, স্বাস্থ্য-প্ৰযুক্তি, গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ আৰু ষ্টাৰ্টআপৰ দৰে প্ৰধান খণ্ডসমূহত ভাৰতত তেওঁলোকৰ বিনিয়োগ বৃদ্ধি কৰিবলৈ উৎসাহিত কৰা হয়। প্ৰধানমন্ত্ৰীয়ে দুয়োখন দেশৰ ব্যৱসায়িক সমাজক নতুন অংশীদাৰিত্ব গঢ়ি তুলিবলৈ, সহযোগিতাৰ নতুন পথ বিচাৰি উলিয়াবলৈ আৰু অৰ্থনৈতিক সহযোগিতা অধিক শক্তিশালী কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তি, বন্দৰ, স্বাস্থ্যসেৱা, কৃষি, বাণিজ্য আৰু প্ৰযুক্তিসহ বিভিন্ন খণ্ডৰ আগশাৰীৰ ডাচ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। ভাৰতৰ অৰ্থনৈতিক গতিশীলতাৰ প্ৰতি ডাচ কোম্পানীসমূহে প্ৰদৰ্শন কৰা বৰ্ধিত আগ্ৰহক প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰশংসা কৰে। উদ্যোগ খণ্ডৰ নেতৃস্থানীয় ব্যক্তিসকলে ভাৰত চৰকাৰৰ সংস্কাৰ কাৰ্যসূচীক প্ৰশংসা কৰে আৰু ভাৰতৰ বাবে তেওঁলোকৰ পৰিকল্পনাসমূহ ব্যক্ত কৰে।

## ছুইডিছ ব্যৱসায়িক নেতাসকলৰ সৈতে মতবিনিময় প্ৰধানমন্ত্ৰী মোদীৰ

প্ৰধানমন্ত্ৰী মোদীয়ে ছুইডিছ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ গুৰুত্ব আৰোপ কৰে যে বৰ্তমানৰ ভাৰত-ছুইডেন অংশীদাৰিত্ব কেৱল এক অৰ্থনৈতিক সম্পৰ্কই নহয়, বৰঞ্চ ই ধাৰণা, প্ৰযুক্তি, উদ্ভাৱন আৰু সহ-সৃষ্টিৰো এক অভিন্ন সম্পৰ্ক। প্ৰধানমন্ত্ৰীয়ে সংস্কাৰ, শক্তিশালী ঘৰুৱা চাহিদা, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, উৎপাদনৰ সম্প্ৰসাৰণ আৰু উত্তৰ প্ৰজন্মৰ আন্তঃগাঁথনি উন্নয়নৰ দ্বাৰা পৰিচালিত ভাৰতৰ দ্ৰুত অৰ্থনৈতিক ৰূপান্তৰৰ ওপৰত আলোকপাত কৰে। তেওঁ মেক ইন ইণ্ডিয়া, ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ’জেন মিছন আৰু ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ খনিজ মিছনৰ দৰে পদক্ষেপৰ অধীনত ছুইডিছ কোম্পানীসমূহক ভাৰতত তেওঁলোকৰ উপস্থিতি বৃদ্ধি কৰিবলৈ আমন্ত্ৰণ জনায়।

## ইউৰোপীয় উদ্যোগৰ ঘূৰণীয়া মেজমেল

গোটেনবাৰ্গত অনুষ্ঠিত ইউৰোপীয় উদ্যোগৰ ঘূৰণীয়া মেজমেলত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু ইউৰোপৰ মাজত ক্ৰমবৰ্ধমান কৌশলগত সাদৃশ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ভাৰত-ইউৰোপীয় সংঘৰ সম্পৰ্কৰ ক্ষেত্ৰত হৈ থকা অগ্ৰগতিক আদৰণি জনায়। বৰ্তমান ভাৰত বিনিয়োগ, উদ্ভাৱন আৰু নিৰ্মাণৰ বাবে বিশ্বৰ অন্যতম আকৰ্ষণীয় স্থান হিচাপে থিয় দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰে যে সুস্থিৰ যোগান শৃংখল গঢ়ি তুলিবলৈ ভাৰত আৰু ইউৰোপে একেলগে কাম কৰা উচিত। ভৱিষ্যতৰ গোলকীয় অৰ্থনৈতিক বিকাশৰ বাবে এক প্ৰধান শক্তি হিচাপে তেওঁ ভাৰতৰ যুৱ আৰু দক্ষ কৰ্মশক্তিৰ ওপৰত আলোকপাত কৰে।

নিযুত) কৰ্মসংস্থাপন সৃষ্টি কৰিবলৈ ব্যৱসায়িক প্ৰতিনিধিসকলক বিভিন্ন খণ্ডত সক্ৰিয় অংশীদাৰিত্ব গঢ়ি তোলাৰ দিশত কাম কৰিবলৈ উৎসাহিত কৰে। ২০২৬ চনৰ জুন মাহত ফ্ৰান্সত অনুষ্ঠিত হ’বলগীয়া ‘ইণ্ডিয়া ইনোভেটছ ২০২৬’ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ভাৰতে নৰৱেক আমন্ত্ৰণ জনায়। দুয়োখন দেশৰ মাজত এটা ষ্টাৰ্টআপ ইনোভেচন হাব আৰু গ্ৰীণ ইনোভেচন হেকাথন প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱো আগবঢ়োৱা হয়। দুয়োগৰাকী নেতাই সন্ত্ৰাসবাদৰ সকলো ৰূপকে কঠোৰভাৱে গৰিহণা দিয়ে।

## ভাৰত আৰু নেদাৰলেণ্ডছৰ মাজত আলোচনা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেদাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ চৰকাৰী বাসগৃহত (কেটছহাইচ) তেওঁৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত-নেদাৰলেণ্ডছৰ সম্পৰ্ক



## প্ৰধানমন্ত্ৰী মোদীক সন্মান প্ৰদান ছুইডেনৰ

- ছুইডেনত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত ছুইডেনৰ ক্ৰাউন প্ৰিন্সেছ ভিক্টোৰিয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ‘ৰয়েল অৰ্ডাৰ অৱ দ্য পোলাৰ ষ্টাৰ, ডিগ্ৰী কমাণ্ডাৰ গ্ৰেণ্ড ক্ৰছ’ প্ৰদান কৰে।
- অষ্টাদশ শতিকাত প্ৰতিষ্ঠিত এইটো ছুইডেনৰ অন্যতম প্ৰাচীন আৰু মৰ্যাদাপূৰ্ণ সন্মান।
- ব্যতিক্ৰমী জনসেৱালৈ আগবঢ়োৱা অৱদান আৰু ছুইডেনৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে ছুইডেনে বিদেশী চৰকাৰৰ মুৰব্বীসকলক প্ৰদান কৰা এইটোৱেই হৈছে সৰ্বোচ্চ সন্মান।
- প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মান ভাৰতৰ ১.৪ বিলিয়ন জনসাধাৰণৰ লগতে ভাৰত আৰু ছুইডেনৰ মাজৰ চিৰস্থায়ী বন্ধুত্বৰ নামত উছৰ্গা কৰে।





## চোল তাম্ৰফলিৰ প্ৰত্যাৱৰ্তন

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নেদাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ উপস্থিতিত, লিডেন বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰে একাদশ শতিকাৰ চোল তাম্ৰফলিসমূহ ভাৰত চৰকাৰক ঘূৰাই দিয়ে। ২১খন ডাঙৰ আৰু ৩খন সৰু ফলিৰে গঠিত এই চোল তাম্ৰফলিসমূহ হৈছে একাদশ শতিকাৰ সময়ছোৱাত চোল ৰজাসকলে জাৰি কৰা ৰাজকীয় চনদ। ফলিসমূহত তামিল আৰু সংস্কৃত ভাষাত লিখা পাঠ সন্নিবিষ্ট আছে।

শক্তিশালী কৰাৰ সন্দৰ্ভত ব্যাপক আলোচনা কৰে। উমৈহতীয়া মূল্যবোধ আৰু বিশ্বাসৰ লগতে দুয়োখন দেশৰ মাজত ক্ৰমবৰ্ধমান সাদৃশ্য আৰু বৰ্ধিত সহযোগিতাক প্ৰতিফলিত কৰি দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কক এক ‘কৌশলগত অংশীদাৰিত্ব’লৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোকে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, উদীয়মান আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তি, সামুদ্ৰিক খণ্ড, নৱীকৰণযোগ্য শক্তি আৰু শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা গভীৰ কৰিবলৈ কৌশলগত অংশীদাৰিত্বৰ বাবে এক অভিলাষী ৰূপৰেখা গ্ৰহণ কৰিবলৈও সন্মত হয়। দুয়োগৰাকী নেতাই কৃত্ৰিম বুদ্ধিমত্তা (AI) আৰু ছেমিকণ্ডাক্টৰকে ধৰি উদীয়মান প্ৰযুক্তিসমূহৰ ক্ষেত্ৰতো সহযোগিতাৰ আহ্বান জনায়। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ‘মবিলিটী পাৰ্টনাৰশ্বিপ’ আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা নতুন পদক্ষেপসমূহৰ প্ৰতি সমৰ্থন ব্যক্ত কৰে। এই সন্দৰ্ভত নালন্দা বিশ্ববিদ্যালয় আৰু গ্ৰনিনজেন বিশ্ববিদ্যালয়ৰ মাজত সম্পন্ন হোৱা চুক্তিৰ কথা বিশেষভাৱে উল্লেখ কৰা হয়। চৰকাৰী আলোচনাৰ অন্তত প্ৰযুক্তি, সেউজ শক্তি, বাণিজ্য, গতিশীলতা, জল, কৃষি, স্বাস্থ্য, শিক্ষা আৰু সংস্কৃতিৰ খণ্ডত ১৪খন বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰিত হয়। ●

আন্তঃৰাষ্ট্ৰীয় এমএছএমই দিৱস — ২৭ জুন, ২০২৬

# এম এছ এম ই: আৰ্থ-সামাজিক প্ৰগতিৰ এক মূল স্তম্ভ

সূক্ষ্ম, লঘু আৰু মজলীয়া উদ্যোগ (MSME) খণ্ডই ভাৰতৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই কম মূলধনী ব্যয়ত প্ৰচুৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰে আৰু আনুষংগিক গোট হিচাপে সেৰা আগবঢ়াই বৃহৎ উদ্যোগসমূহক সহায় কৰে। তদুপৰি, ই গ্ৰাম্য আৰু পিছপৰা অঞ্চলসমূহত উদ্যোগীকৰণক উৎসাহিত কৰে। প্ৰতি বছৰে ২৭ জুন তাৰিখে আন্তঃৰাষ্ট্ৰীয় এম এছ এম ই দিৱস পালন কৰা হয়। ভাৰত চৰকাৰৰ এম এছ এম ই মন্ত্ৰালয়ে ইয়াৰ বিভিন্ন সংস্থা আৰু প্ৰতিষ্ঠানসমূহৰ সহযোগত এই খণ্ডটোৰ বিকাশৰ ধাৰা ক্ৰমাগতভাৱে আগুৱাই নিছে...



## এম এছ এম ই ঃ থলুৱা অৰ্থনীতিক শক্তিশালীকৰণ

- এম এছ এম ইসমূহে মুঠ ঘৰুৱা উৎপাদন (GDP)-লৈ ৩১ শতাংশতকৈয়ো অধিক আৰু ৰপ্তানিলৈ ৪৮.৫৮ শতাংশ অৱদান আগবঢ়ায়।
- সমগ্ৰ দেশৰ ৩২৮ নিযুত লোকৰ জীৱিকা এম এছ এম ই-ৰ ওপৰত নিৰ্ভৰশীল। ৭৯ নিযুততকৈয়ো অধিক উদ্যোগক আনুষ্ঠানিক অৰ্থনীতিৰ সৈতে সংযুক্ত কৰা হৈছে।
- 'GeM', 'TReDS', আৰু 'SAMADHAAN'-ৰ দৰে ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে এম এছ এম ইসমূহক বজাৰৰ প্ৰৱেশাধিকাৰ উন্নত কৰাত আৰু দ্ৰুত ধন পৰিশোধ নিষ্পত্তিৰ ক্ষেত্ৰত সহায় কৰা হৈছে।



"

আমাৰ এম এছ এম ই খণ্ডই ভাৰতৰ উৎপাদন ক্ষেত্ৰ আৰু আমাৰ ঔদ্যোগিক বিকাশৰ মেৰুদণ্ড হিচাপে কাম কৰে। ২০২০ চনত আমি এম এছ এম ইৰ সংজ্ঞা সংশোধন কৰাৰ এক যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছিলো- এনে এক পদক্ষেপ ১৪ বছৰৰ ব্যৱধানৰ পাছত গ্ৰহণ কৰা হৈছিল। এই সিদ্ধান্তই এম এছ এম ইসমূহৰ মাজত থকা এই শংকা ফলপ্ৰসূভাৱে দূৰ কৰিছিল যে যদিহে তেওঁলোকে নিজৰ কাৰ্যকলাপৰ সম্প্ৰসাৰণ কৰে তেন্তে চৰকাৰে প্ৰদান কৰা সুবিধাসমূহৰ পৰা তেওঁলোক বঞ্চিত হ'ব।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

নিউ ইণ্ডিয়া **সমাচাৰ** পষেকীয়া

আৰ এন আই, **DELHIN/2020/78811,** ১৬-৩০ জুন, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:5 June, 2026, Pages-36)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003